নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ

# বিদ্যালয় নেতৃত্বৰ বিকাশ







# ৰাষ্ট্ৰীয় কৰ্মসূচী পৰিকল্পনা আৰু কেৰিকুলামৰ ৰূপৰেখা

নেশ্যনেল ইন্‌ষ্টিটিউট্ অফ্ এডুকেশ্যনেল প্লেনিং এণ্ড এড্‌মিনিষ্ট্ৰেশন্

## এন চি এছ এলৰ সদস্যবৃন্দ

ৰশ্মি দিৱান
সুনীতা চুঘ
কাশ্যপি অৱস্থি
সুবিথা জি. ভি.
এন. মৈথিলি
সীমা সিং
শ্ৰেয়া তিৱাৰী
জি. এচ. নেগী.
চাৰু স্মিতা মালিক
নম্ৰতা
দাৰক্ষন পাৰৱীন
মণিকা বাজাজ

NATIONAL CENTRE FOR SCHOOL LEADERSHIP

NCSL

Every Child Learns
Every School Excels

নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ

# ৰাষ্ট্ৰীয় কৰ্মসূচী পৰিকল্পনা

## আৰু

# কেৰিকুলামৰ ৰূপৰেখা

राष्ट्रीय शैक्षिक योजना एवं प्रशासन संस्थान
NATIONAL INSTITUTE OF EDUCATIONAL PLANNING AND ADMINISTRATION

নেশ্যনেল ইন্‌ষ্টিটিউট্ অফ্ এডুকেশ্যনেল প্লেনিং এণ্ড এড্‌মিনিষ্ট্ৰেশন্

নেশ্যনেল ইন্‌ষ্টিটিউট্ অফ্ এডুকেশ্যনেল প্লেনিং এণ্ড এড্‌মিনিষ্ট্ৰেশন্, (এন.আই.ই.পি.এ.)
(Declared by the Government of India under section 3 of the UGC Act, 1956)

© নিপা

প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১৪
সংশোধিত সংস্কৰণ, এপ্ৰিল, ২০১৫
সংশোধিত সংস্কৰণ, জানুৱাৰী, ২০১৯

প্ৰকাশক ঃ ৰেজিষ্টাৰ নিপা, ১৭ বি. শ্ৰী অৰবিন্দ মাৰ্গ, নতুন দিল্লী - ১১০০১৬

# ভূমিকা

সাম্প্ৰতিক সময়ত কিছু বছৰ ধৰি লক্ষ্য কৰা হৈছে যে ভাৰতৰ বিদ্যালয় শিক্ষা ব্যৱস্থা, বিশেষকৈ প্ৰাথমিক শিক্ষাই এক নজিৰবিহীন দ্ৰুততাৰে প্ৰায় সাৰ্বজনীন হোৱাৰ ফালে আগবাঢ়িছে। দেশৰ বিভিন্ন প্ৰান্তৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। যি সময়ত বিদ্যালয়সমূহৰ সংখ্যা বৃদ্ধিয়ে শিশুসকলৰ শিক্ষাগ্ৰহণ কাৰ্যত তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছে, সেই সময়ত শিক্ষাৰ গুণগতমানৰ উৎকৰ্ষসাধনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। বৃহৎ পৰিসৰত কোনো এটা নিৰ্দিষ্ট কৌশলৰ প্ৰয়োগৰ দ্বাৰা গুণগতমান উন্নত কৰা সম্ভৱ নহয়। ইয়াৰ বাবে আমি ব্যৱস্থা পৰ্যায়ৰ সংস্কাৰৰ বাদেও বিদ্যালয় পৰ্যায়ৰ সংস্কাৰ আৰু বিদ্যালয়ভিত্তিক কাৰ্যাৱলীত আলোকপাত কৰিব লাগিব। আমাৰ দেশৰ প্ৰায় ১·৫ কোটি বিদ্যালয়ৰ উন্নতিৰ বাবে মাত্ৰ এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ নিয়ন্ত্ৰণ কাৰ্যই যথেষ্ট নহয়। ইয়াৰ বাবে প্ৰয়োজন স্থানীয় পৰ্যায়ত বিভিন্ন ব্যক্তি বা সমষ্টিৰ প্ৰত্যক্ষ জড়িতকৰণ। এনে কাৰ্যৰ দ্বাৰা প্ৰতিখন বিদ্যালয়ক এটি উৎপাদনমুখী শিকন প্ৰতিষ্ঠান (Productive Learning Organization) ৰূপে গঢ়ি তুলিব পৰা যাব। এইটোৱেই হৈছে বিদ্যালয় নেতৃত্ব বিকাশৰ ৰাষ্ট্ৰীয় কৰ্মসূচীৰ মূল লক্ষ্য। এই ক্ষেত্ৰত নিঃসন্দেহে বিদ্যালয় প্ৰধানজনে মুখ্য ভূমিকা পালন কৰিব লাগিব।

এই নথিত উপস্থাপন কৰা কৰ্মসূচীৰ পৰিকল্পনা আৰু কেৰিকুলামৰ ৰূপৰেখাই নেতৃত্বৰ বিকাশ সাধনৰ বাবে কৰ্মক্ষমতা বৃদ্ধিৰ কৰ্মসূচী অধিক উন্নত কৰিবলৈ হ'লে গৱেষণা আৰু প্ৰতিষ্ঠানসমূহৰ লগত পাৰস্পৰিক যোগাযোগৰ প্ৰয়োজন আছে। প্ৰত্যেক বিদ্যালয়ৰ পৰিৱৰ্তন আৰু উন্নতি সাধনৰ উদ্দেশ্য ৰূপান্তৰ কৰিব পৰা কৰ্মসূচীৰ মূল নীতি ব্যাখ্যা কৰা হৈছে। বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত নেতৃত্ব দানৰ ক্ষমতাৰ সন্দৰ্ভত বিশেষ গুৰুত্ব দিয়া হৈছে। যিবোৰ বিষয়বস্তু আৰু কৰ্মপদ্ধতিয়ে বিদ্যালয় ব্যৱস্থাৰ বাবে নেতৃত্ব দানৰ ক্ষমতা উন্নত কৰে, সেইবোৰ এই নথিত অত্যন্ত স্পষ্টভাৱে বৰ্ণনা কৰা হৈছে। কেৰিকুলামে শিকাৰু, শিক্ষণ আৰু শিকনক সকলো কাৰ্যৰ উৰ্দ্ধত ৰাখে। কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত বিভিন্ন দক্ষ ব্যক্তি বা বিশেষজ্ঞ আৰু ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মীৰ দ্বাৰা কেৰিকুলামৰ প্ৰয়োজনীয় পৰিবৰ্তন আৰু সংশোধন কৰা হয়। কেৰিকুলামে কেৱল বিদ্যালয়সমূহৰ গুণগত মান উন্নয়নেই নহয়, আমাৰ বিদ্যালয়সমূহৰ বিপুল বৈশিষ্ট্যপূৰ্ণ অৱস্থা বিশেষে প্ৰয়োজনীয় ক্ষমতা সুনিশ্চিত কৰিছে। যিকোনো কেৰিকুলাম ভিত্তিক নথিৰ বৈশিষ্ট্যই হৈছে যে, ই পৰিৱৰ্তনশীল আৰু সময়ৰ আহ্বানক্ৰমে বিদ্যালয় শিক্ষাব্যৱস্থাৰ সৈতে খাপখাব পৰা। এই কেৰিকুলামক বাস্তৱায়িত কৰাৰ বাবে এই নথি (NCSL) পথ প্ৰদৰ্শক হৈ থাকিব।

এন. চি. এচ. এল ৰ সকলো সদস্যকে এই নথিৰ সংশোধিত সংস্কৰণ দলীয় প্ৰয়াসেৰে প্ৰকাশ কৰি উলিওৱাৰ বাবে অভিনন্দন জনাইছোঁ। মই আশা ৰাখিছোঁ যে ৰাজ্য চৰকাৰৰ কৰ্তৃপক্ষ, বিদ্যালয়ৰ প্ৰধান আৰু বিদ্যালয় ব্যক্তিত্ব বিকাশৰ লগত জড়িত ব্যক্তিসকল এই নথিৰ দ্বাৰা লাভান্বিত হ'ব।

নতুন দিল্লী
এপ্ৰিল ১, ২০১৫

**আৰ. গোবিন্দা**
উপাচাৰ্য

# কৃতজ্ঞতা স্বীকাৰ

‘নিপা’ ত স্থাপিত নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ্ (NCSL) য়ে বিদ্যালয়সমূহক উন্নত কৰাৰ বাবে বিদ্যালয় প্ৰধানসমূহক জ্ঞান, দক্ষতা আৰু দৃষ্টিভংগীৰ ক্ষেত্ৰত নেতৃত্বৰ ক্ষমতা বৃদ্ধি কৰি আহিছে। এন. চি. এছ. এল-এ বিদ্যালয় পৰ্যায়ত নেতৃত্বৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় কৰ্মসূচী পৰিকল্পনা আৰু কেৰিকুলামৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ কাম হাতত লৈছে।

আমাৰ এই কামত সহায় কৰি কেন্দ্ৰক সূচাৰুৰূপে কাম আগবঢ়াই নিয়াত উৎসাহ দিয়াৰ বাবে আমি মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় (MHRD) ক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

এই নথি ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন আলোচনা, সভা আৰু পৰামৰ্শ সভাৰ যোগেদি প্ৰস্তুত কৰা হৈছে। এই প্ৰতিবেদন সম্ভৱ হৈছে নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ্, ৰাষ্ট্ৰীয় সমল গোট, ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক সমল গোটৰ প্ৰয়াসৰ বাবে। প্ৰত্যেক স্তৰতে প্ৰতিজন সদস্যই আগবঢ়োৱা পৰামৰ্শ আৰু সমৰ্থনৰ বাবে আমি তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ।

আমি শ্ৰী আদিত্য নটৰাজ, শ্ৰীসুনীল বাট্ৰা আৰু শ্ৰীমতী শশী মেদ্দিৰত্তাক বিশেষভাবে ধন্যবাদ জনাইছোঁ। ইয়াৰ উপৰি, নেশ্যনেল কলেজ অফ্ টিচিং এণ্ড লীডাৰশ্চিপ্ (NCTL, U.K.) ৰ ড° ৰবীন এটফিল্ড আৰু ড° ৰশ্মি সিন্‌হাৰ প্ৰতি আমি কৃতজ্ঞ।

অনুবাদ কৰ্মশালাৰ বাবে যাৱতীয় প্ৰশাসনিক সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰু সৰ্বশিক্ষা অভিযানৰ মিছন সঞ্চালকদ্বয় ক্ৰমে ৰমেশ চান্দ জৈন, আই. এ. এছ আৰু অৰুণা ৰাজোৰিয়া, আই. এ. এছক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই অনুবাদ কৰ্মশালাখনত উপস্থিত থাকি নিপাৰ ড° সুবিথা জি. ভি. মেননে আগবঢ়োৱা বিভিন্ন পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অনুবাদ কাৰ্যত সহায় কৰাৰ বাবে আমি নীলিমা শৰ্মা মহন্ত, শাৰদী ভট্টাচাৰ্য, নৃপেন শইকীয়া, নাজমা মূখাৰ্জী, তিলোত্তমা ভূঞা, ৰাজলক্ষ্মী শৰ্মা, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ চন্দ্ৰানী বৰকটকী, সৰ্বশিক্ষা মিছনৰ অপূৰ্ব ঠাকুৰীয়া, মজাফৰ আলী, এচ. চি. ই. আৰ. টি. অসমৰ ড° মিজো প্ৰভা বৰা, ড° যুতিফুল বৰুৱা, ড° দেৱ কুমাৰ দত্ত আৰু অন্যান্য সহযোগী সদস্যসকলক কৃতজ্ঞতা জনালোঁ। অনুবাদৰ পুনৰীক্ষণৰ হেতু নীল শৰ্মাক ধন্যবাদ জনালোঁ।

প্ৰশাসনীয় আৰু সম্পাদকীয় পৰ্যায়ৰ সহযোগিতাৰ বাবে এচ. কে. ভাটনগৰ, অলকা নেগী আৰু গুৰমীত সাৰাঙ্গীক ধন্যবাদ জনাইছোঁ।

এই নথিৰ অলংকৰণত সহায় কৰাৰ বাবে আমি ডিজিটেল এক্সপ্ৰেছনচ্‌ৰ অতনু ৰয়, ৰাজেশ থালডা আৰু বীৰেন্দ্ৰৰ সিং নেগীক বিশেষ ধন্যবাদ জনাইছোঁ।

নিপা ৰ সম্পাদনা আৰু প্ৰকাশন বিভাগৰ সকলো সদস্যক, বিশেষকৈ সোমনাথ চৰকাৰ, প্ৰমোদ ৰাৱাট আৰু অমিত সিংঘালক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## অসমীয়া অনুবাদ কৰ্মশালাত অংশগ্ৰহণ কৰা সমল ব্যক্তিসকল ঃ

ড° মিজো প্ৰভা বৰা

ড° যুতিফুল বৰুৱা

চন্দ্ৰানী বৰকটকী

শাৰদী ভট্ট

মজাফৰ আলী

ৰাজলক্ষ্মী শৰ্মা

তিলোত্তমা ভূএগ

নৃপেন শইকীয়া

নিলীমা শৰ্মা মহন্ত

## অনুবাদৰ পুনৰীক্ষণ ঃ

নীল শৰ্মা

## সামগ্ৰিক দায়িত্ববাহী ঃ

ড° দেৱ কুমাৰ দত্ত

# বিষয়সূচী


| | | |
|---|---|---|
| *ভূমিকা* | | III |
| *কৃতজ্ঞতা জ্ঞাপন* | | V |
| ১) | **আৰম্ভণি ঃ** | **1** |
| | ৰাষ্ট্ৰীয় বিদ্যালয় নেতৃত্ব বিকাশ কেন্দ্ৰ | 2 |
| ২) | **কাৰ্য সম্পাদন সম্বন্ধীয় ৰূপৰেখা** | **4** |
| | ৰাষ্ট্ৰীয় পৰ্যায়ত | 4 |
| | ৰাজ্যিক পৰ্যায়ত | 5 |
| ৩) | **বিদ্যালয় নেতৃত্ব কৰ্মসূচী অভিগমন** | **6** |
| | উপাংশ ১ ঃ কেৰিকুলাম আৰু সামগ্ৰীৰ প্ৰস্তুতকৰণ | 6 |
| | উপাংশ ২ ঃ কৰ্ম ক্ষমতা বৃদ্ধি | 7 |
| | উপাংশ ৩ ঃ পাৰস্পৰিক যোগাযোগ আৰু প্ৰতিষ্ঠান গঢ়া | 9 |
| | উপাংশ ৪ ঃ গৱেষণা আৰু উন্নয়ন/বিকাশ | 10 |
| ৪) | **বিদ্যালয় নেতৃত্বৰ বিকাশৰ বাবে কেৰিকুলামৰ ৰূপৰেখা** | **11** |
| | — প্ৰধান উদ্দেশ্য | 12 |
| | — নিৰ্দেশাৱলীৰ নীতি | 12 |
| | — কেৰিকুলামৰ প্ৰয়োগ | 12 |
| ৫) | **মূল ক্ষেত্ৰ** | **13** |
| | মূল ক্ষেত্ৰ ১ ঃ বিদ্যালয় নেতৃত্বৰ দৃষ্টিভংগী | 15 |
| | মূল ক্ষেত্ৰ ২ ঃ আত্মবিকাশ | 17 |
| | মূল ক্ষেত্ৰ ৩ ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ৰূপান্তৰকৰণ | 18 |
| | মূল ক্ষেত্ৰ ৪ ঃ গোট গঠন আৰু গোটৰ নেতৃত্ব প্ৰদান | 20 |
| | মূল ক্ষেত্ৰ ৫ ঃ উদ্ভাৱনৰ অৰ্থে নেতৃত্বদান | 21 |
| | মূল ক্ষেত্ৰ ৬ ঃ অংশীদাৰিত্বৰ নেতৃত্বদান | 22 |
| | মূল ক্ষেত্ৰ ৭ ঃ বিদ্যালয় প্ৰশাসনৰ ক্ষেত্ৰত নেতৃত্বদান | 23 |
| **গুৰুত্বপূৰ্ণ দলীয় ক্ষেত্ৰ (Special Focus Group Area)** | | **25** |
| **শিকন সামগ্ৰীৰ প্ৰস্তুতকৰণ ঃ অভিযোজন আৰু প্ৰাসংগিকীকৰণ** | | **28** |

# আৰম্ভণি

জ্ঞান সমৃদ্ধ সচেতন সমাজৰ আশা অনুসৰি বিদ্যালয়সমূহ গঢ় দিয়াটো প্ৰয়োজন হৈ পৰিছে। বিদ্যালয়সমূহৰ ৰূপান্তৰ ঘটাবই লাগিব - এই উপলব্ধিয়ে বিদ্যালয় প্ৰধানসকলক পৰিচালক আৰু মুখ্যব্যক্তিৰূপে অধিক দায়িত্ব প্ৰদান কৰিছে। ভাৰতৰ পটভূমিত অধিকাৰভিত্তিক শিক্ষাৰ পৰিপ্ৰেক্ষিতত, বিদ্যালয় নেতৃত্ব বিকাশৰ লক্ষ্যৰ এটি নিৰ্দিষ্ট দৃষ্টিভংগীৰ প্ৰয়োজনে অধিক গুৰুত্ব পায়। এই অধিকাৰ বেষ্টনীত আছে শিক্ষাৰ প্ৰতি সকলোৰে সমান অধিকাৰ, উৎকৃষ্ট গুণগত শিক্ষাৰ অধিকাৰ আৰু আনন্দময় শিক্ষাৰ পৰিৱেশৰ অধিকাৰ। এই লক্ষ্য সাধনৰ বহুতখিনি নিৰ্ভৰ কৰে বিভিন্ন প্ৰকাৰৰ প্ৰতিকূল পৰিস্থিতিত সীমিত পৰিমাণৰ সম্পদ আৰু শিশুৰ অভিভাৱকৰ বিপুল চাহিদাৰ মাজত বিদ্যালয় প্ৰধানসমূহে তেখেতসকলৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাস্তৱিক ৰূপ প্ৰকাশ কৰিব পাৰে। ইয়াৰ বাবে বিদ্যালয় নেতৃত্বৰ জ্ঞান আৰু দক্ষতা বিকাশৰ প্ৰয়োজন যাৰ দ্বাৰা প্ৰত্যাহ্বান আৰু বিদ্যমান পৰিস্থিতিত উপলব্ধ সুযোগবোৰ গভীৰভাৱে বিশ্লেষণ কৰিব পৰা যায়। এই পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় গাঁথনি আৰু প্ৰক্ৰিয়া সৃষ্টি কৰাটো অতি গুৰুত্বপূৰ্ণ যাতে বিদ্যালয়ৰ প্ৰধান, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ বাবে সৃষ্টিশীল কৰ্ম আৰু উদ্ভাৱনী চিন্তাৰ উৎসাহ জগাই বিদ্যালয়সমূহ উৎকৰ্ষ সাধনৰ কেন্দ্ৰস্থল ৰূপে গঢ়ি তুলিব পাৰি।

বিদ্যালয়খন কেতিয়াও অকলশৰে চলিব পৰা প্ৰতিষ্ঠান নহয়। বৰঞ্চ, ই এখন সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰসমূহৰ এক দৰ্পণ স্বৰূপ , অৰ্থাৎ বিদ্যালয় এখনক উৎকৰ্ষ সাধনৰ কেন্দ্ৰস্থলৰূপে গঢ়ি তুলিবলৈ হ'লে এই সকলোবোৰ ক্ষেত্ৰকে গুৰুত্ব দিব লাগিব। ইয়াৰ বাবে বিদ্যালয় প্ৰধানসকলে তেখেতসকলৰ ক্ৰমাগত পৰিচালনা আৰু প্ৰশাসনীয় দায়িত্বভাৰৰ উপৰি কিছু ব্যতিক্ৰমী স্ব-প্ৰণোদিত কৰ্মসূচী গ্ৰহণ কৰিলেহে আশাকৰা ধৰণে বিদ্যালয়সমূহৰ ৰূপান্তৰ ঘটিব। এই পৰিৱৰ্তনৰ মুখ্য পদক্ষেপ হ'ব গতানুগতিক প্ৰশিক্ষণৰ পৰা আঁতৰি আহি এটি দীৰ্ঘম্যাদী বিকাশমূলক কাৰ্যক্ৰম হাতত লোৱা। এনে কাৰ্যই বিদ্যালয় প্ৰধানসকলক বিদ্যালয়ৰ বাস্তৱ সমস্যাসমূহ দূৰ কৰাত বা সমাধান কৰাত সহায় কৰিব। এনেবোৰ কথাকে মনত ৰাখি ৰাষ্ট্ৰীয় পৰ্যায়ত 'বিদ্যালয় নেতৃত্বৰ বিকাশ' (School Leadership Development) বিদ্যালয় শিক্ষা ব্যৱস্থাৰ প্ৰতিটো স্তৰত আৰম্ভ কৰা হৈছে যাতে বিদ্যালয় প্ৰধানসকলৰ কৰ্মক্ষমতা বৃদ্ধি হয় আৰু এই ক্ষমতা ধাৰাবাহিকভাৱে বিকশিত হয়। এই প্ৰচেষ্টাই বিদ্যালয়ৰ প্ৰশাসনত জড়িত ব্যক্তি আৰু বৃত্তিধাৰী ব্যক্তিসকলৰ সমূহীয়া প্ৰচেষ্টাৰে অংশীদাৰসকলক বিদ্যালয়ৰ ৰূপান্তৰকৰণ প্ৰক্ৰিয়াত ধাৰাবাহিকভাৱে জড়িত কৰিব।

## ৰাষ্ট্ৰীয় বিদ্যালয় নেতৃত্ব বিকাশ কেন্দ্ৰ

### এন. চি. এছ. এল. কি ? (NCSL)

'নিপা'ৰ দ্বাৰা গঠিত এন. চি. এছ. এল. ৰ মুখ্য উদ্দেশ্য হৈছে নেতৃত্ব বিকাশৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত সাধাৰণ বিদ্যালয়সমূহক উৎকৃষ্টমানৰ বিদ্যালয়লৈ ৰূপান্তৰিত কৰি সমগ্ৰ বিদ্যালয় ব্যৱস্থাটোৰ উন্নতি কৰা। উৎকৃষ্ট মানৰ বিদ্যালয় ৰূপান্তৰ কাৰ্যৰ বাবে বিদ্যালয়ৰ মুখ্যব্যক্তি গঢ় দিয়াত এন. চি. এছ. এল. -এ বিশেষ গুৰুত্ব দিব লাগিব। এই প্ৰচেষ্টাই বিদ্যালয়ৰ প্ৰশাসনত জড়িত ব্যক্তি আৰু বৃত্তিধাৰীব্যক্তিৰ সমূহীয়া প্ৰচেষ্টাৰে অংশীদাৰসকলক বিদ্যালয়ৰ ৰূপান্তৰকৰণ প্ৰক্ৰিয়াত ধাৰাবাহিকভাৱে জড়িত কৰিব। এন. চি. এছ. এল. -এ আশা কৰিছে দেশজুৰি বিদ্যালয়ৰ শিক্ষা ক্ষেত্ৰত সৰ্বাংগীণ উন্নয়ন সাধন হোৱা।



এন. চি. এছ. এল. এ. -এ ভৱিষ্যতে এনে এখন নমনীয় কেৰিকুলাম প্রস্তুত কৰাৰ কথা ভাবিছে যি আমাৰ দেশৰ বিভিন্ন প্ৰান্তত অৱস্থিত বৈশিষ্ট্যপূৰ্ণ বিদ্যালয়সমূহক এডাল এনাজৰীৰে বান্ধিব পাৰে। এছ. এল. ডি. পি. ৰ অধীনত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্তৰৰ বিদ্যালয়সমূহ সামৰাৰ পৰিকল্পনা কৰা হৈছে। বিভিন্ন ভৌগোলিক পৰিৱেশত অৱস্থিত সৰু, ডাঙৰ বিভিন্নধৰণৰ চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়সমূহকলৈয়ো পৰিকল্পনা কৰা হৈছে। এন. চি. এছ. এল. -এ. যি মূল লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি কাম হাতত লৈছে, তাৰ পৰা এন. চি এছ. এল. -এ বিদ্যালয়ৰ ৰূপান্তৰকৰণৰ বাবে লোৱা দেশজুৰি কাৰ্যসূচী স্পষ্ট হৈ পৰিছে।

## ভৱিষ্যতৰ দৃষ্টিভংগী

**বিদ্যালয় পৰ্যায়ত এনে মুখ্যব্যক্তি গঢ় দিয়া হ'ব যিসকলে বিদ্যালয় ব্যৱস্থাৰ ৰূপান্তৰ ঘটাই প্ৰতিটো শিশুক শিকাৰ সুযোগ দিব আৰু প্ৰতিখন বিদ্যালয়ক উৎকৃষ্ট বিদ্যালয় হিচাপে গঢ়ি তুলিব। উদ্দেশ্য ভিত্তিক সমূহীয়া প্ৰচেষ্টা উৎকৃষ্ট মানৰ শিক্ষা প্ৰদানৰ বাবে বিদ্যালয় পৰ্যায়ত নেতৃত্ব দানৰ কৰ্মক্ষমতা বৃদ্ধি।**

## কাৰ্য সম্পাদন সম্বন্ধীয় ৰূপৰেখা

**বিদ্যালয় পৰ্যায়ত নতুন প্ৰজন্মৰ নেতাসকলৰ দ্বাৰা শিক্ষানুষ্ঠানসমূহৰ ৰূপান্তৰৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত শিক্ষা কেন্দ্ৰসমূহত বৈশিষ্ট্যসূচক সমন্বয়ৰ মাধ্যমেৰে শিক্ষা ব্যৱস্থাৰ সামগ্ৰিক শিকন অভিজ্ঞতাসমূহ চিহ্নিত কৰি প্ৰয়োগ কৰাই হৈছে এন. চি. এছ. এল. -ৰ উদ্দেশ্য।**





# কাৰ্য সম্পাদন সম্বন্ধীয় ৰূপৰেখা

নৱ প্ৰজন্মৰ নেতৃত্বৰ দ্বাৰা বিদ্যালয়সমূহৰ পৰিৱৰ্তন সাধনৰ উদ্দেশ্য অনুধাৱন কৰাৰ কাৰণে এন.চি.এছ.এল. -এ জাতীয় আৰু ৰাজ্যিক শিক্ষা অনুষ্ঠানৰ ব্যক্তিসকলৰ অভিজ্ঞতাক অধিক গুৰুত্ব প্ৰদান কৰিব। তলত সংক্ষিপ্তভাৱে এইখিনি বৰ্ণনা কৰি দিয়া হ'ল।




## ৰাষ্ট্ৰীয় পৰ্যায়ত

এন. চি. এছ. এল. -এ 'নিপা'ৰ প্ৰফেচাৰ আৰ. গোবিন্দাৰ নেতৃত্বত কাম কৰে। এন. চি. এছ. এল. -ৰ পৰিচালনাৰ দায়িত্বত আছে ৰাষ্ট্ৰীয় উপদেষ্টা মণ্ডলী (NAG), ৰাষ্ট্ৰীয় সমল গোট (NRG) আৰু পৰামৰ্শদাতাসকল। 'নিপা'ত এন. চি. এছ. এল. গোটে বিদ্যালয়ৰ নেতৃত্ব বিকাশ কৰ্মসূচীৰ সকলো দিশ সামৰি ৰাষ্ট্ৰীয় পৰ্যায়ত কাম কৰি আছে। ইউ. কে. -ৰ নাটিংহ্যামত অৱস্থিত নেশ্যনেল কলেজ ফৰ্ টিচিং এণ্ড লীডাৰশ্বিপ্ (এন. চি টি. এল.)ৰ নিচিনা আন্তৰ্জাতিক সংস্থাৰ লগতো অবিৰতভাৱে যোগাযোগ ৰাখি কাম কৰি আছে।

## ৰাজ্যিক পৰ্যায়ত

এন.চি.এছ.এল. -ৰ উদ্দেশ্য হৈছে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰয়োজন অনুসৰি বিভিন্ন কাৰ্যক্ৰম প্ৰস্তুত আৰু প্ৰয়োগ কৰা। এনে কাৰ্য কৰিবলৈ এন.চি এছ.এল. -এ. ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ সকলো দায়িত্বশীল বিষয়া আৰু শিক্ষাৰ লগত সম্পৰ্ক থকা ব্যক্তিক জড়িত কৰে। ৰাজ্যিক পৰ্যায়ত নেতৃত্ব গঠন প্ৰক্ৰিয়াটো বিভিন্ন প্ৰতিষ্ঠানৰ পাৰস্পৰিক ভাব বিনিময় মাধ্যমেৰে সম্পন্ন কৰা হয়। ইয়াৰ বাবে ৰাজ্যিক পৰ্যায়ত এটা বিদ্যালয় নেতৃত্ব বিকাশৰ মূল গোট গঠন কৰা হয়।

ৰাজ্যিক সমল গোটৰ লক্ষ্য হ'ব ৰাজ্যৰ উপযোগী কৰ্মসূচী আৰু সামগ্ৰী প্ৰস্তুত কৰা, কৰ্মদক্ষতা বৃদ্ধি কৰ্মসূচীত সহায় কৰা আৰু এন. চি. এছ. এল. আৰু নিপাৰ লগত সম্পৰ্ক ৰাখি নেতৃত্ব অকাডেমী গঢ়ি তোলাৰ বাবে এটি বিশেষজ্ঞৰ গোট দক্ষ কৰি তোলা। কেন্দ্ৰীয় কৰ্মসূচীত এই নেতৃত্ব অকাডেমী আৰু ৰাজ্যিক সমল গোটে সহায় কৰিব। এই কৰ্মসূচীয়ে সকলো ৰাজ্যত বৃত্তিধাৰী শিকন গোট সৃষ্টি কৰাত সহায় কৰিব। এই পি. এল. চি. সমূহে এন. চি. এছ. এল.-এ. নিপাৰ লগত অবিৰতভাৱে যোগাযোগ ৰাখি বৃত্তিমূলক বিকাশৰ বাবে নানা চিম্পচিয়া, ৱেবিনাৰ আৰু মডুলাৰ পাঠ্যক্ৰম অনুষ্ঠিত কৰিব।

এন.চি.এছ.এল. আৰু নিপাৰ নিৰ্দেশ অনুসৰি অসম চৰকাৰে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমক ৰাজ্যিক নেতৃত্ব অকাডেমী (State Leadership Academy) ঘোষণা কৰে। এই ৰাজ্যিক নেতৃত্ব অকাডেমীৰ মূল লক্ষ্য হৈছে -বিদ্যালয়ৰ কাৰ্যদক্ষতা বৃদ্ধি কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰিৱৰ্তন অনা, বিদ্যালয়ত শিক্ষাৰ মান উন্নীত কৰা, প্ৰাথমিক পৰ্যায়ৰ পৰা মাধ্যমিক পৰ্যায়লৈকে স্থানীয় পযায়ত বিদ্যালয়ৰ মুৰব্বীসকলৰ জৰিয়তে দিহা-পৰামৰ্শ আগবঢ়োৱা, বিদ্যালয়ৰ মুৰব্বীসকলক প্ৰশিক্ষণৰ জৰিয়তে শিক্ষণ-শিকনৰ ক্ষেত্ৰত নেতৃত্বৰ বিকাশ ঘটোৱা। এন. চি. এছ. এল-ৰ কেৰিকুলামখন বিদ্যালয় পৰ্যায়ত ৰূপায়ণৰ জৰিয়তে নেতৃত্ব দিয়া, ৰাজ্যিক পৰ্যায়ৰ সমল গোটৰ দক্ষতা বৃদ্ধি কৰা, বিদ্যালয়ৰ মুৰব্বীসকলৰ জৰিয়তে পি. এল. চি গঠন কৰা, তেখেতসকলক শৈক্ষিক উত্তৰণত নিয়োজিত কৰা হৈছে। ৰাজ্যিক পৰ্যায়ত নেতৃত্ব অকাডেমীৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ সহযোগত প্ৰাথমিক শিক্ষাৰ গৱেষণা কৰি বিদ্যালয়ৰ কাৰ্যদক্ষতা বৃদ্ধি কৰাই হৈছে অসমক ৰাজ্যিক নেতৃত্ব অকাডেমীৰ অন্যতম লক্ষ্য।

অসমত এতিয়ালৈকে ৰাজ্যিক সমল গোটত বিভিন্ন পৰ্যায়ত বিদ্যালয়ত নেতৃত্বৰ বিকাশ ঘটাবলৈ ১৭১ জনক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই গোটৰ জৰিয়তে ৪২৫০ খন বিদ্যালয়ৰ মুৰব্বীসকলক ১০ দিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি ৩৫ জন প্ৰধান শিক্ষকক অনলাইন ব্যৱস্থাৰ যোগে দক্ষতা বিকাশ আৰু ৩০ জন প্ৰধান শিক্ষকক নেতৃত্ব বিকাশৰ জৰিয়তে এন. চি. এছ. এল-ৰ সহযোগত এমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

# বিদ্যালয় নেতৃত্ব কৰ্মসূচীৰ অভিগমন

এন. চি. এছ. এল. -এ ভৱিষ্যতে এনে এখন নমনীয় কেৰিকুলাম প্ৰস্তুত কৰাৰ কথা ভাবিছে যি আমাৰ দেশৰ বিভিন্ন প্ৰান্তত অৱস্থিত বিদ্যালয়ৰ বৈচিত্ৰ্যতাসমূহ বিদ্যালয় নেতৃত্ব বিকাশ কৰ্মসূচী (এছ. এল. ডি. পি.) ৰ দ্বাৰা এডাল এনাজৰীৰে বান্ধিব পাৰে। এছ. এল. ডি পি. ৰ অধীনত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্তৰৰ বিদ্যালয়সমূহ সামৰাৰ পৰিকল্পনা কৰা হৈছে। বিভিন্ন ভৌগোলিক পৰিৱেশত অৱস্থিত সৰু, ডাঙৰ বিভিন্ন ধৰণৰ চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়সমূহক সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। অধিকাৰ ভিত্তিক শিক্ষাৰ পৰিপ্ৰেক্ষিতত এই কাৰ্যসূচীয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। এন. চি. এছ. এল. এ. নেতৃত্ব বিকাশৰ উদ্দেশ্যে বিদ্যালয় পৰ্যায়ত কাৰ্যকৰী হোৱাকৈ চাৰিটা দিশত কাম হাতত লৈছে। এই দিশকেইটা হৈছে— কেৰিকুলাম আৰু সামগ্ৰী প্ৰস্তুতকৰণ, যোগাযোগ আৰু প্ৰতিষ্ঠানিক বিকাশ, কৰ্মক্ষমতা বৃদ্ধি, গৱেষণা আৰু উন্নয়ন।

ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক সমল গোট আৰু বিদ্যালয়ত নেতৃত্ব দিয়া ব্যক্তিসকলৰ সক্ষমতা বৃদ্ধিৰ বাবে কেৰিকুলাম আৰু সামগ্ৰী প্ৰস্তুতকৰণে ভেঁটি হিচাপে কাম কৰিব। যোগাযোগ স্থাপন আৰু গৱেষণা দুয়োটা কামকে দুটা সমান্তৰাল ক্ষেত্ৰ হিচাপে চোৱা হয়। এইবিলাকৰ যোগেদি নেতৃত্ব বিকাশ প্ৰক্ৰিয়াৰ উন্নতি পৰিচালনা আৰু অধ্যয়নৰ বাবে সমল ব্যক্তি আৰু বিদ্যালয় প্ৰধানসকলক একত্ৰিত কৰিব পাৰি। নেতৃত্বৰ বিভিন্ন ক্ষেত্ৰসমূহৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ কথা মনত ৰাখি এন. চি. এছ. এল.-ৰ গুৰুত্বপূৰ্ণ কৰ্মসূচীৰ কাৰ্যবোৰ এনেভাৱে পৰিকল্পনা কৰা হৈছে যাতে কেৰিকুলাম প্ৰস্তুতকৰণ, ক্ষেত্ৰ সমীক্ষা, পৰ্যালোচনা আৰু প্ৰতিপুষ্টিৰ মাজত মিল থাকে বা সং যোজন নিশ্চিত হয়। ইয়াৰ ফলত বিদ্যালয়ত নেতৃত্ব দানৰ প্ৰক্ৰিয়াৰ লগত যিসকল ইতিমধ্যে জড়িত আৰু যিসকলে ভৱিষ্যতে নেতৃত্ব দিব সেইসকলৰ বাবে প্ৰাসংগিক নতুন জ্ঞান নিৰ্মাণ, কৰ্মসূচী প্ৰস্তুতকৰণ, পৰিকল্পনা; বিকাশ, সামগ্ৰী প্ৰস্তুতকৰণ আৰু কৰ্মপন্থাৰ নতুন পথ উন্মুক্ত থাকিব। এনে সংযোজনে উঠি অহা বিদ্যালয়ৰ নেতৃত্ব দিয়া পি. এল. চি. বা (বৃত্তিধাৰী শিকন গোট) ক কাম আগবঢ়াই নিয়াত সহায় কৰিব।

## উপাংশ ১ ঃ কেৰিকুলাম আৰু সামগ্ৰী প্ৰস্তুতকৰণ

বিদ্যালয়ৰ নেতৃত্বৰ বাবে কেৰিকুলাম ৰূপৰেখা নথিখনে একবিংশ শতিকাত বিদ্যালয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ বিদ্যালয় প্ৰধানসকলে কি পৰিৱৰ্তিত ভূমিকা গ্ৰহণ কৰিব এই কথা প্ৰতিফলিত কৰিছে। কেৰিকুলাম ৰূপৰেখাই আৰম্ভণিতে ৬ টা মূল ক্ষেত্ৰ সামৰিছিল যি কেইটাই বিদ্যালয়

নেতৃত্বৰ ধাৰণা আৰু চৰ্চাক গুৰুত্ব দিছিল। এই নথি প্ৰস্তুত কৰোঁতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰু ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লগত জড়িত শিক্ষাবিদ আৰু শিক্ষামূলক চিন্তা প্ৰয়োগ কৰা ব্যক্তিসকলৰ লগত আলোচনা কৰি পৰামৰ্শ গ্ৰহণ কৰা হৈছে। এই নথিখন ২০১৩-১৪ চনত ৮ খন ৰাজ্যৰ ৰাজ্যিক সমলগোটে নিৰীক্ষণ কৰে আৰু বিদ্যালয় প্ৰধানৰ তৃণমূল পৰ্যায়ৰ প্ৰয়োজনীয়তা আৰু বাস্তৱতাক ভিত্তি কৰি সৰলীকৰণ কৰা হয়। এই সংশোধিত সংস্কৰণখনত নতুন দিশ এটা বিদ্যালয় প্ৰশাসনৰ নেতৃত্ব মূলক্ষেত্ৰ ৭ ত অন্তৰ্ভুক্ত কৰা হৈছে। ২০১৪-১৫ চনৰ শেষৰফালে ২১ খনকৈ ৰাজ্যৰ ৰাজ্যিক সমলগোট আৰু বিদ্যালয় প্ৰধানসকলকলৈ অনুষ্ঠিত কৰা এলানি কৰ্মক্ষমতা বৃদ্ধিকৰণ শীৰ্ষক কৰ্মশালাৰ জৰিয়তে লব্ধ তথ্যক ভিত্তি কৰি অন্তৰ্ভুক্ত কৰা হৈছে।

### উদ্দেশ্যসমূহ

- কেৰিকুলামৰ উন্নতিসাধন, বৰ্তমান তথা ভৱিষ্যতে বিদ্যালয় নেতৃত্বৰ কাৰণে সুপৰিকল্পিত, প্ৰয়োজনভিত্তিক কৰ্মসূচীৰ আয়োজন কৰা।
- বিদ্যালয় নেতৃত্বকাৰীসকলৰ বাবে সামগ্ৰী আৰু সমলৰ ভঁৰাল সৃষ্টি কৰা।
- বিদ্যালয়ৰ বৈচিত্ৰ্যপূৰ্ণ পৰিৱেশত খাপ খাব পৰাকৈ বিভিন্ন শিকন সামগ্ৰী প্ৰস্তুত কৰা।

## উপাংশ ২ ঃ কৰ্মক্ষমতা বৃদ্ধিকৰণ

কৰ্মক্ষমতা বৃদ্ধিৰ মূল লক্ষ্য বিদ্যালয় প্ৰধানৰ নেতৃত্বৰ বিকাশ। ইয়াৰ মাধ্যমেৰে ৰাজ্য, জিলা, খণ্ড তথা বিভিন্ন মাণ্ডলিক পৰ্যায়ত বিভক্ত বিদ্যালয়সমূহৰ বিদ্যালয় প্ৰধানৰ কৰ্মক্ষমতা বৃদ্ধি আৰু কিছু সময় সামৰি তেওঁলোকক এই ব্যৱস্থাত নিয়োজিত কৰি উন্নতি সাধন কৰাৰ কথা ভবা হৈছে। মূল ক্ষেত্ৰসমূহৰ প্ৰাসংগিকতা অনুসৰি বিদ্যালয় প্ৰধানসকলৰ কৰ্মক্ষমতা বৃদ্ধিৰ কৰ্মসূচীৰ কেৰিকুলাম ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। এই কৰ্মসূচীসমূহ একোটা সহজ অনুকূল পৰিৱেশত প্ৰয়োজনভিত্তিক কাৰ্যাৱলীৰ মাধ্যমেৰে সম্পাদিত হ'ব।

তেওঁলোকে হাতে কামে কৰি জ্ঞান আৰু কৌশল আহৰণ কৰিবৰ বাবে প্ৰক্ৰিয়াভিত্তিক সামগ্ৰীৰ প্ৰয়োগৰ দ্বাৰা কৰ্মসূচী উপস্থাপন কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব।

এই কৰ্মসূচীসমূহ বিভিন্ন হ্ৰস্ব আৰু দীৰ্ঘ ম্যাদী গঠনভিত্তিক তথা লক্ষ্যভিত্তিক পাঠ্যক্ৰমৰ প্ৰয়োজন অনুযায়ী প্ৰস্তুত কৰাৰ মাধ্যমেৰে কাৰ্যকৰী কৰা হ'ব। এই কৰ্মসূচীৰ উদ্দেশ্য বিদ্যালয় প্ৰধানসকলৰ কৰ্মক্ষমতা বিকাশ ঘটোৱা তথা বিদ্যালয়খন উন্নত কৰাৰ প্ৰক্ৰিয়াত নেতৃত্ব দি আগবঢ়াই নিয়া। ৰাজ্য আৰু জিলা পৰ্যায়ৰ দক্ষ ব্যক্তিসকলৰ কৰ্মক্ষমতা বৃদ্ধি কৰা যাতে তেওঁলোকে নেতৃত্ব বিকাশৰ প্ৰয়োজনভিত্তিক কৰ্মসূচীৰ পৰিকল্পনা তথা সম্পাদনা কৰিব পাৰে আৰু নতুন নতুন চিন্তাধাৰাৰে সক্ৰিয়ভাৱে অংশ ল'ব পাৰে।

## উদ্দেশ্যসমূহ

- বিদ্যালয়ৰ নেতৃত্বদায়ীসকলক প্ৰতিষ্ঠানিক প্ৰধানৰ ভূমিকাৰ পৰা কিছু আঁতৰাই আনি তেওঁলোকক স্বতঃপ্ৰণোদিত হৈ নতুন চিন্তাধাৰাৰ প্ৰয়োগেৰে বিদ্যালয়সমূহৰ উন্নতি সাধন কৰাৰ বাবে সামৰ্থবান কৰি তোলা।
- ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ নেতৃত্ব বিকাশ কৰ্মসূচী আগবঢ়াই নিব পৰাকৈ বিশেষজ্ঞমণ্ডলীক সাজু কৰা।
- শিক্ষণ-শিকন, ব্যক্তিগত আৰু বৃত্তিগত উন্নতি, বিদ্যালয় ব্যৱস্থাত উদ্ভাৱন, অংশীদাৰিত্ব আৰু বিদ্যালয় প্ৰশাসন ব্যৱস্থাৰ ক্ষেত্ৰসমূহৰ বাবে বিদ্যালয় প্ৰধানসকলৰ কৰ্মক্ষমতা বৃদ্ধি কৰা।
- বিদ্যালয়মূহৰ উন্নয়নৰ উদ্দেশ্যে স্থানীয় নেতৃত্ব, বিদ্যালয় প্ৰশাসন (এছ. এম. চি., এছ. ডি এম. চি. এছ, ভি ই. চি. এছ, পি. টি. এ. এছ, এম. টি. এ. এছ.) আৰু প্ৰতিষ্ঠানিক দলীয় নেতৃত্ব সৰলীকৰণ কৰা।

এই কৰ্মসূচীৰ প্ৰয়োগ কৰাৰ দায়িত্ব হ'ল ৰাজ্যৰ। এন. চি. এছ. এল. -ৰ উপযুক্ত পৰামৰ্শ আৰু সহায়ত ৰাজ্যই এই দায়িত্ব পালন কৰিব। ইয়াৰ বাবে প্ৰক্ৰিয়াভিত্তিক উপকৰণ সৰবৰাহৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া হ'ব যাতে কৰ্মসূচীত অংশগ্ৰহণকাৰী ব্যক্তিসকলে হাতে কামে এই বিষয়ৰ জ্ঞান লাভ কৰে আৰু প্ৰয়োগৰ ধাৰণা লাভ কৰে। এই কৰ্মসভাত কেৰিকুলামৰ ৰূপৰেখা, শিকন সামগ্ৰীৰ অভিযোজন আৰু প্ৰাসংগিকীকৰণৰ সুযোগ থাকিব। প্ৰত্যেক ৰাজ্যৰ পৰা নেতৃত্বৰ উৎকৃষ্টমানৰ ঘটনা নথিভুক্ত কৰা হ'ব। তাৰ পাছত কৰ্মক্ষমতা বৃদ্ধিৰ কৰ্মসূচীৰ সময়ত শিক্ষণ-শিকন সামগ্ৰীসমূহ ব্যৱহাৰ হ'ব। ৰাজ্যই সিদ্ধান্ত লোৱা নিৰ্দিষ্ট জিলা, মণ্ডল সমল কেন্দ্ৰ আৰু অঞ্চলসমূহত অনুষ্ঠিত হ'বলগীয়া কৰ্মক্ষমতা বৃদ্ধি কৰ্মশালাত এই নথি ব্যৱহৃত হ'ব।

কৰ্মক্ষমতা বৃদ্ধি কৰ্মসূচীয়ে বিদ্যালয় নেতৃত্ব বিকাশৰ বৃহত্তৰ পৰিসৰত অৰিহণা যোগাব। এই কৰ্মসূচীয়ে ৰাজ্যিক সমল গোট আৰু সুচলকাৰীৰ যোগেদি বিদ্যালয় প্ৰধানসকলক নিৰ্দিষ্ট কৰ্মক্ষেত্ৰত প্ৰশিক্ষণ দিয়াব আৰু পৰামৰ্শদাতাৰ মাধ্যমেৰে বিদ্যালয়ৰ উন্নতিসাধন কৰিব।

## উপাংশ ৩ ঃ পাৰস্পৰিক যোগাযোগ আৰু প্ৰতিষ্ঠান গঢ়া

দেশৰ বিভিন্ন প্ৰান্তৰ ৰাজ্যসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত শিক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে এন. চি এছ. এল. অভিজ্ঞ ব্যক্তিসকল আৰু ৰাজ্যত বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ মাজত এটি পাৰস্পৰিক যোগাযোগ ব্যৱস্থা গঢ় দি এক দীৰ্ঘম্যাদী আলাপ-আলোচনাৰ ক্ষেত্ৰ গঢ়ি তুলিব বিচাৰিছে। ইয়াৰ কাৰণে প্ৰতিখন বিদ্যালয়ে নেতৃত্ব বিকাশৰ কিছু পৰিৱৰ্তনশীল কাৰ্যাৱলী গ্ৰহণ কৰিব লাগিব। এই উদ্দেশ্যে এন. চি. এছ. এল.-এ কিছু চৰকাৰী আৰু বে-চৰকাৰী প্ৰতিষ্ঠানৰ সহযোগিতাৰে ৰাজ্য তথা জিলা, খণ্ড, মণ্ডল পৰ্যায়ত এছ. এল. ডি. পি.ৰ প্ৰসাৰতাৰ দিশে কাম কৰিব।

প্ৰত্যেক ৰাজ্যত ৰাজ্যিক সমল গোট, বিশেষ কিছুমান জিলাত অৱস্থিত সমন্বয়ক প্ৰতিষ্ঠান আৰু একোটা নোডেল প্ৰতিষ্ঠানৰ মাধ্যমেৰে কাৰ্যকৰী কৰিব। এইটোও আশা কৰা হৈছে যে ৰাজ্যিক পৰ্যায়ত নোডেল প্ৰতিষ্ঠানসমূহৰ লগতে আন আন প্ৰতিষ্ঠানসমূহ নেতৃত্ব অকাডেমীলৈ পৰিৱৰ্তন হ'ব। কেন্দ্ৰৰ সম্প্ৰসাৰিত শাখা হিচাপে নেতৃত্ব অকাডেমীয়ে কাম কৰিব। নেতৃত্ব অকাডেমীয়ে প্ৰত্যক্ষভাৱে আৰু প্ৰতিষ্ঠানসমূহৰ যোগেদি জিলা আৰু খণ্ডসমূহত কাম কৰিব। উপযুক্ত প্ৰতিষ্ঠানে প্ৰয়োজন অনুসৰিহে কৰ্মসূচী সম্পাদন কৰিব। প্ৰতিখন ৰাজ্যত এটা ৰাজ্যিক সমল গোট আৰু অকাডেমী স্থাপন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে।

## উদ্দেশ্যসমূহ

- ৰাজ্য চৰকাৰৰ পৰামৰ্শৰে এটি নেতৃত্ব অকাডেমী স্থাপন আৰু এই অকাডেমীৰ লগত এন. ছি. এছ. এল.-ৰ সমন্বয় সাধন কৰা হ'ব।
- মণ্ডল, খণ্ড আৰু জিলা পৰ্যায়ৰ প্ৰশাসনিক বিষয়াৰ লগত বিদ্যালয় প্ৰধানৰ নিয়মীয়া সমন্বয় সাধন আৰু তাৰ লগতে বিদ্যালয় পৰিচালনা সমিতি আৰু জনপ্ৰতিনিধিসকলৰ মাজত সংযাগ সাধন কৰা হ'ব।
- ৰাজ্য, জিলা আৰু আঞ্চলিক ভিত্তিক বিদ্যালয় প্ৰধানসকলৰ বৃত্তিগত শিকন গোষ্ঠী সৃষ্টি কৰা। ইয়াৰ যোগেদি দেশত নেতৃত্ববিকাশৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে সংঘবদ্ধ শিকন অভিজ্ঞতা সঞ্চাৰিত কৰা।

নেতৃত্ববিকাশৰ কেন্দ্ৰ গঠনৰ বাবে ৰাজ্য চৰকাৰ আৰু অন্যান্য সংস্থাৰ মাজত আলাপ-আলোচনাৰ ক্ষেত্ৰত মুখ্য উদ্যোগ গ্ৰহণ কৰে এন. চি. এছ. এল. -এ। ৰাজ্যৰ বিভিন্ন অঞ্চলৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক কেন্দ্ৰসমূহত একোটাকৈ নেতৃত্ববিকাশ কেন্দ্ৰ গঠনৰ প্ৰস্তাৱ ৰখা হৈছে। ৰাজ্য

চৰকাৰে শিক্ষাদপ্তৰ আৰু ৰাজ্যৰ ৰাজ্যিক সমল গোটৰ সদস্যসকলৰ আন্তৰিক সহযোগিতাত এই অকাডেমীৰ কাম কৰিব। এই নেতৃত্ববিকাশ কেন্দ্ৰৰ নিজস্ব সদস্য বা স্থানীয় দক্ষ ব্যক্তি, বিদ্যালয় প্ৰধান, স্বেচ্ছাসেৱক, অৱসৰপ্ৰাপ্ত বিদ্যালয় প্ৰধান, জনপ্ৰতিনিধি, যিসকল অনবৰতে বিদ্যালয় উন্নয়নৰ লগত জড়িত, তেনেকুৱা বৃত্তিগত ভাব বিনিময় সমাজে পৰস্পৰে পৰস্পৰৰ লগত যোগাযোগ কৰি মণ্ডল, খণ্ড আৰু জিলা পৰ্যায়ৰ শিকন গোট গঠন কৰিব আৰু সৰ্বোৎকৃষ্ট চৰ্চা, পৰীক্ষামূলক, প্ৰতিক্ৰমী শিকন বিনিময় কৰিব।

# উপাংশ ৪ ঃ গৱেষণা আৰু উন্নয়ন

নিৰন্তৰ গৱেষণা আৰু উন্নত পদ্ধতিৰ পৰিৱৰ্তনে নতুন নতুন জ্ঞানৰ ক্ষেত্ৰসমূহ উন্মুক্ত কৰে, যিয়ে পৰৱৰ্তী ক্ষেত্ৰত আৰু বিশ্লেষণাত্মক ভূমিকা গ্ৰহণৰ মাধ্যমেৰে কেৰিকুলামক অধিক ফলপ্ৰসূ কৰি তোলে। কেন্দ্ৰই অন্যান্য গৱেষণামূলক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিগতভাৱে কোনো দক্ষ ব্যক্তিৰ লগত সহযোগ কৰি নতুন গৱেষণা কৰিব।

## উদ্দেশ্যসমূহ

- উত্তম নেতৃত্বদানৰ অনুশীলনৰ সংগ্ৰহ, নথিভুক্তকৰণ আৰু তাৰ সম্প্ৰসাৰণ।
- ভাৰতীয় পৰিপ্ৰেক্ষাত বিদ্যালয় নেতৃত্বদানৰ মাধ্যমেৰে বিকাশ সাধনৰ ক্ষেত্ৰত নতুন নতুন ধ্যান ধাৰণাৰ সংযোজন।

সমগ্ৰ বিদ্যালয় নেতৃত্ব বিকাশ কাৰ্যক্ৰম পৰিচালিত হ'ব কেৰিকুলামৰ ৰূপৰেখা আৰু সেই কাৰ্য ৰূপায়ণৰ অৰ্থে প্ৰস্তুত পুস্তিকা প্ৰদানৰ মাধ্যমেৰে। কেৰিকুলাম ৰূপৰেখা সম্পৰ্কে বিশদ আলোচনা পাছৰ অধ্যায়ত কৰা হৈছে।

# বিদ্যালয় পর্যায়ত নেতৃত্ব বিকাশৰ কাৰণে কেৰিকুলামৰ ৰূপৰেখা

বিদ্যালয়ৰ নেতৃত্ব বিকাশক মুখ্য বিষয় হিচাপে লৈ কেন্দ্ৰই কেৰিকুলামৰ ৰূপৰেখা প্ৰস্তুত কৰিছে। বিদ্যালয় ৰূপান্তৰৰ কামত যি ব্যক্তিয়ে অগ্ৰণী ভূমিকা পালন কৰে তেওঁকেই নেতৃত্ব দিয়া মূল ব্যক্তি বুলি কেৰিকুলামে স্বীকৃতি দিছে। এই কেৰিকুলামৰ মূল উদ্দেশ্য হৈছে বিদ্যালয় নেতৃত্ব দিয়া ব্যক্তিসকলৰ জ্ঞান, দক্ষতা আৰু আত্মবিশ্বাসৰ ক্ষেত্ৰ সবল কৰা। ইয়াৰ ফলত তেওঁলোকে দায়িত্ব বহন কৰিব পৰা হ'ব আৰু যিকোনো সমস্যা প্ৰত্যাহ্বান হিচাপে লৈ 'হয়, মই পাৰিম আৰু কৰিম' মনোভাৱেৰে আগুৱাই 'আমি আৰু আমি কৰিম' মনোভাব লৈ 'প্ৰতিগৰাকী শিশুৱে শিকিব আৰু প্ৰতিখন বিদ্যালয় উৎকৃষ্টমানৰ হ'ব'— এই কাৰ্য নিশ্চিত কৰিব। বিদ্যালয়ক নেতৃত্ব দিয়া ব্যক্তিসকলৰ আত্মবিশ্বাস, ব্যক্তিগত আৰু বৃত্তিগত দক্ষতা, শিক্ষণ-শিকন কৌশলৰ উন্নতি সাধন আৰু সহকৰ্মীসকলৰ প্ৰতি সহায়, শিশুৰ অধিকাৰ সম্পৰ্কে সচেতনতা আৰু দায়িত্ব বহনকাৰী ব্যক্তিসকলৰ লগত সম্পৰ্ক স্থাপন, এই লক্ষ্য আগত ৰাখি এন. চি. এছ. এল.-ৰ কেৰিকুলামৰ ৰূপৰেখা প্ৰস্তুত কৰা হৈছে।

## প্ৰধান লক্ষ্য ঃ

বিদ্যালয় প্ৰধানসকলক শিক্ষাৰ্থীৰ শিকন আৰু বিকাশৰ মাধ্যমেৰে বিদ্যালয় ৰূপান্তৰকৰণৰ বাবে সমৰ্থবান কৰি তোলা।

## নিৰ্দেশ দানৰ নীতি ঃ

কেৰিকুলাম ৰূপৰেখা এই বিশ্বাসেৰে নিৰ্মিত হৈছে যে বিদ্যালয় নেতৃত্ববৰ্গৰ নিজস্ব বৃত্তিগত ক্ষেত্ৰত বিকাশ আৰু উৎকৰ্ষ সাধিবলৈ ইচ্ছুক। প্ৰাপ্তবয়স্কৰ শিকন পদ্ধতি বেলেগ আৰু সাধাৰণ আৰু সহজভাৱে বিভিন্ন ভাৰতীয় ভাষালৈ অনুবাদ কৰিব পৰা ধৰণৰ আৰু উপযুক্ত সামগ্ৰী যোগান ধৰিব পাৰিলে বিদ্যালয় প্ৰধানসকলে তেওঁলোকৰ নিজস্ব শিকনধৰণেৰে সামগ্ৰীখিনি ব্যৱহাৰ কৰিব পাৰিব।

কেৰিকুলাম তাত্বিক দিশৰ সন্দৰ্ভত নিৰ্ভৰশীল যদিও কেৰিকুলামৰ বিষয় আৰু প্ৰক্ৰিয়াসমূহ অৱশ্যে বিদ্যালয়ৰ নেতৃত্ববৰ্গৰ ব্যাৱহাৰিক দিশৰ ক্ষেত্ৰতেই গুৰুত্ব দি প্ৰস্তুত কৰা হৈছে। এই কেৰিকুলাম ৰূপৰেখা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত এই চিন্তাধাৰা অব্যাহত আছে যে বিদ্যালয়ৰ প্ৰধান আৰু বিদ্যালয়ৰ প্ৰশাসক, সমাজ আৰু শিক্ষকসকলৰ সম্পৰ্ক সদায় গতিশীল আৰু অবিৰতভাৱে জড়িত।

## কেৰিকুলাম প্ৰয়োগ ঃ

কেৰিকুলাম ৰূপৰেখাই বিদ্যালয়ক নেতৃত্ব দিয়াজনৰ দক্ষতা বৃদ্ধিৰ বাবে অংশীদাৰী পদ্ধতিৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। কেৰিকুলাম প্ৰয়োগৰ ক্ষেত্ৰত যি পদ্ধতি আৰু দৃষ্টিভংগীৰ প্ৰয়োজন হ'ব তাৰ ভিতৰত অভিজ্ঞতাৰ যোগেদি শিকন, বিশ্লেষণাত্মক চিন্তাশীল পৰামৰ্শদাতা আৰু প্ৰায়োগিক শিকনত গুৰুত্ব দিয়া হৈছে। এই ৰূপৰেখাই বিদ্যালয়ৰ নেতৃত্ব দিয়া ব্যক্তি আৰু সুচলকাৰীসকলৰ বৃত্তিগত দক্ষতা বৃদ্ধিৰ বাবে অবিৰতভাৱে উন্নতিকৰণৰ প্ৰচেষ্টা কৰি আহিছে যাতে তেওঁলোকে বাস্তৱ প্ৰত্যাহ্বানসমূহৰ সহজে সন্মুখীন হ'ব পাৰে।

# মূলক্ষেত্ৰসমূহ

প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ নেতৃত্ব বিকাশত উপনীত হ'বলৈ প্ৰয়োজনীয় বিভিন্ন উপাদানৰ আধাৰিত কেৰিকুলাম ৰূপৰেখাত ৭টা মূলক্ষেত্ৰ, চিহ্নিত কৰা হৈছে। এই মূলক্ষেত্ৰসমূহৰ এক নিৰ্দিষ্ট উদ্দেশ্য আছে আৰু কেৰিকুলাম ৰূপৰেখাত এই উদ্দেশ্যসমূহৰ তথা প্ৰাসংগিক বিষয়সমূহৰ বিশদ বিৱৰণ আগবঢ়োৱা হৈছে, যিবোৰ বিদ্যালয়ৰ ৰূপান্তৰ আৰু বিদ্যালয়ৰ নেতৃবৰ্গৰ বৃত্তিগত বিকাশৰ অৰ্থে প্ৰয়োজনীয়।



এই সাতটা মূলক্ষেত্ৰ নিবিড়ভাৱে সংযুক্ত যাৰ মাধ্যমেৰে বিদ্যালয়ৰ ৰূপান্তৰ তথা এই দিশত বিদ্যালয় প্ৰধানৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে সামগ্ৰিক দৃষ্টিভংগী গঠনৰ প্ৰচেষ্টা কৰা হৈছে।

কেৰিকুলাম ৰূপৰেখাত বিদ্যালয়খনক শিকনৰ প্ৰতিষ্ঠান হিচাপে গণ্য কৰা হৈছে য'ত শিশুটিৰ সৰ্বাংগীন বৃদ্ধি আৰু বিকাশৰ অৰ্থে প্ৰতিষ্ঠানটোৱে সক্ৰিয়ভাৱে ইন্ধন যোগায়। এই কেৰিকুলাম ৰূপৰেখাৰ উদ্দেশ্য হ'ল বিদ্যালয় প্ৰধানসকলৰ ইতিবাচক আত্মধাৰণা গঢ়ি তোলা, যাৰ জৰিয়তে সমতাৰ মূল্যবোধ আৰু বৈষম্যহীন দৃষ্টিৰে পৰিচালিত হোৱাত তেওঁলোক উৎসাহিত হ'ব পাৰে।

ভাৰতবৰ্ষৰ বিদ্যমান বিদ্যালয় বৈচিত্ৰ্যৰ পৰিপ্ৰেক্ষাত এই ৰূপৰেখাই গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ বিষয়ে অন্বেষণ আৰু উপলব্ধিৰ সুযোগ দিয়ে, অৰ্থাৎ বিভিন্ন এলেকাৰ বিদ্যালয়, যেনে- পাহাৰীয়া অঞ্চল, মৰুভূমি অঞ্চল, বানপীড়িত অঞ্চল, প্ৰবল বৃষ্টিপাত অঞ্চল, জনজাতীয় অঞ্চল, সামাজিক সংঘৰ্ষ বিটৌত বা মানৱসৃষ্ট দুৰ্যোগ প্ৰৱলিত অঞ্চলৰ কথা বুজা আৰু ক্ষুদ্ৰৰ লগতে বহুস্তৰীয় বিদ্যালয়বোৰৰ প্ৰত্যাহ্বানসমূহ বুজিবলৈ বিশেষভাৱে সুযোগ প্ৰদান কৰে।

# মূলক্ষেত্ৰ - ১ ঃ বিদ্যালয় নেতৃত্বৰ দৃষ্টিভংগী

এই মূলক্ষেত্ৰৰ জৰিয়তে নেতৃত্ব প্ৰদান আৰু বিদ্যালয় ৰূপান্তৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাৰ কথা আলোচনা কৰা হৈছে। ই বিদ্যালয়ক শিকন প্ৰতিষ্ঠান হিচাপে বুজাৰ উপৰি শিশুৰ বৃদ্ধি আৰু বিকাশৰ ভেঁটি স্বৰূপে গঢ়ি তোলে। তদুপৰি, ক্ৰমাগত পৰীক্ষণ আৰু পৰিৱৰ্তনৰ ভেঁটি হিচাপেও বিদ্যালয়ৰ ভূমিকাৰ কথা কোৱা হৈছে। এই মূলক্ষেত্ৰই বিদ্যালয় ৰূপান্তৰৰ ক্ষেত্ৰত এক দূৰদৰ্শী পৰিকল্পনা তৈয়াৰ কৰাত গুৰুত্ব আৰোপ কৰিছে।

**উদ্দেশ্য ঃ**

- বিদ্যালয়ৰ নেতৃত্ব প্ৰদানৰ বিষয়ে বুজি লৈ তাৰ উন্নয়নৰ বাবে এক পৰিকল্পনা গঢ়ি তোলা।

## গোট ১ ঃ শিকন প্ৰতিষ্ঠান হিচাপে বিদ্যালয়

- সামাজিক প্ৰতিষ্ঠান হিচাপে বিদ্যালয়
- প্ৰতিষ্ঠান হিচাপে বিদ্যালয়ৰ গতিশীল প্ৰকৃতি
- বিদ্যালয়ত মত বিনিময় প্ৰক্ৰিয়া
- শিকন আৰু বিকাশৰ ভেটিস্বৰূপে বিদ্যালয়

## গোট ২ ঃ বিদ্যালয় নেতৃত্বৰ একাধিক ভূমিকা

- বিদ্যালয় নেতৃত্বৰ দূৰদৰ্শিতা
- পৰিৱৰ্তনৰ উদ্যোক্তাৰূপে বিদ্যালয়ৰ নেতৃত্ব
- বিদ্যালয়ৰ নেতৃত্বজন দৃঢ়-প্ৰতিজ্ঞ, জনমুখী, আজীৱন শিকাৰ প্ৰতি আগ্ৰহী আৰু আনক অনুপ্ৰাণিত কৰিব পৰা গুণৰ অধিকাৰী
- চিন্তাশীল বৃত্তিধাৰী হিচাপে বিদ্যালয়ৰ নেতৃত্ব
- বিদ্যালয়ৰ কাৰ্যকাৰিতা উন্নত কৰাৰ অৰ্থে বিদ্যালয় নেতৃত্বৰ তাৎপৰ্যপূৰ্ণ ভূমিকা

## গোট ৩ ঃ বিদ্যালয়ৰ ভৱিষ্যৎ দূৰদৰ্শী পৰিকল্পনা

- বিদ্যালয় ৰূপান্তৰৰ অৰ্থে দৃষ্টিভংগী
- বিদ্যালয়ৰ প্ৰাসংগিকতা আৰু সীমাবদ্ধতাৰ মান নিৰূপণ আৰু উপলব্ধি
- বিদ্যালয় উন্নয়ন পৰিকল্পনাৰ জৰিয়তে ভৱিষ্যতৰ পৰিকল্পিত লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টা
- পুনৰ বিবেচনা আৰু পুনঃসংস্কাৰৰ মাধ্যমেৰে পৰিৱৰ্তন অনুসৰণ

## গোট ৪ ঃ ৰূপান্তৰকৰণৰ প্ৰক্ৰিয়া অনুধাৱন

- বিদ্যালয় ৰূপান্তৰৰ নিৰ্ধাৰক নীতি ঃ অন্তৰ্ভুক্তিকৰণ, সমতা আৰু গুণগত মানৰ উন্নয়ন
- বিদ্যালয় এটি যৌথ সংস্থা ঃ ভাব, যোগ্যতা আৰু বিদ্যালয় পৰিৱৰ্তনৰ লক্ষ্য
- ব্যক্তিগত ৰূপান্তৰৰ সূচক ঃ মনোভাব আৰু কাৰ্য পদ্ধতি, চিন্তন, অনুধাৱন তথা অভিভাৱক, শিক্ষক আৰু অন্যান্য সামাজিক সদস্যৰ সৈতে পাৰস্পৰিক যোগাযোগ সাধন
- পৰিৱৰ্তনৰ সৈতে মুখামুখি হওঁতে সন্মুখীন হোৱা বাধা আৰু সৃষ্টি হোৱা সুযোগসমূহ

## গোট ৫ ঃ শিশুৱেই প্ৰথম বিচাৰ্য

- শৈশৱকালৰ বিষয়ে বোধ
- শিশুৰ সৰ্বাংগীন বিকাশ
- বিদ্যালয়ত শিশুৰ অধিকাৰ
- সমতা, সকলো শিশুৰ প্ৰতি শ্ৰদ্ধা আৰু অবৈষম্যমূলক দৃষ্টিভংগী
- সুৰক্ষিত আৰু নিৰাপদ স্থান হিচাপে বিদ্যালয়

## গোট ৬ ঃ কৰ্মনীতিৰ ৰূপান্তৰ

- লক্ষ্যৰ দিশত ধাৱমান
- বিভিন্ন দৃষ্টিভংগী গ্ৰহণ আৰু ইয়াৰ প্ৰায়োগিক সুবিধা প্ৰদান
- অৰ্থবহ পাৰস্পৰিক মত বিনিময়ৰ প্ৰক্ৰিয়াৰ সৃষ্টি
- পৰিৱৰ্তন আৰু সংশোধনৰ প্ৰতি উন্মুক্ততা
- অংশীদাৰিত্ব (Shared) দায়বদ্ধতাৰ মনোভাব পোষণ

# মূলক্ষেত্ৰ - ২ ঃ  আত্মবিকাশ

এই মূলক্ষেত্ৰৰ উদ্দেশ্য হ'ল বিদ্যালয় প্ৰধানসকলৰ মাজত ইতিবাচক আত্মধাৰণা গঢ়ি তোলা। এই ধাৰণা ব্যক্তিৰ যোগ্যতা, মনোভাব আৰু মূল্যবোধক কেন্দ্ৰ কৰি গঢ়ি উঠে। মূলক্ষেত্ৰ ২ ৰ জৰিয়তে বিদ্যালয় প্ৰধানে যাতে তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে অনুধাৱন কৰি নিজৰ আৰু আনৰ বিকাশৰ বাবে ধাৰাবাহিকভাৱে শিকনৰ সুযোগ সুবিধা সৃষ্টি কৰে তাৰ কথা কোৱা হৈছে।

**উদ্দেশ্য ঃ**

- আত্মপোলব্ধি, মুৰব্বী হিচাপে বিদ্যালয় আৰু আনৰ লগত সম্পৰ্ক আৰু আত্মবিকাশ।

### গোট ১ ঃ আত্মপোলব্ধি

- বিদ্যালয়ত নিজকে এজন ব্যক্তি তথা বৃত্তিধাৰী হিচাপে আত্মানুধাৱন
- কৰ্মক্ষেত্ৰৰ অৰ্থ আৰু উদ্দেশ্যৰ সম্পৰ্কে বোধ
- ইতিবাচক আত্মধাৰণা আৰু আত্মমৰ্যাদাৰ সৃষ্টি

### গোট ২ ঃ আনৰ পৰিপ্ৰেক্ষিতত নিজৰ  ভূমিকা নিৰ্ণয়

- বিদ্যালয়ৰ সামাজিকপ্ৰেক্ষাত নিজক চিহ্নিতকৰণ
- বিপৰীতধৰ্মী প্ৰত্যাশাৰ মুখামুখি আৰু প্ৰধান হিচাপে বহুমুখী ভূমিকাৰ উপলব্ধি
- প্ৰভাৱশালী আৰু চিন্তাশীল ব্যক্তিৰ সমাজ

### গোট ৩ ঃ বিদ্যালয়ৰ পৰিপ্ৰেক্ষিতত নিজৰ ভূমিকা নিৰ্ণয়

- আত্মবিকাশ আৰু প্ৰতিষ্ঠানৰ লক্ষ্যৰ মাজত ভাৰসাম্য ৰক্ষা
- বিদ্যালয় কাৰ্যপন্থাৰ লগত জড়িত বিদ্যালয় প্ৰধানৰ একাধিক ভূমিকা
- ব্যক্তিগত উদ্দেশ্য আৰু চৰ্চাৰ মাজত সমন্বয় ৰক্ষাৰ বাবে প্ৰতিফলনকাৰী চিন্তা

### গোট ৪ ঃ নিজৰ বৃত্তিগত বিকাশ

- বিভিন্ন ব্যক্তিবৰ্গৰ লগত সন্মিলিতভাৱে কাম কৰা আৰু সম্পৰ্ক স্থাপন
- বিদ্যালয়ক সামাজিক শিকন আৰু সামগ্ৰীক বিকাশৰ স্থান হিচাপে গঢ়ি তোলা
- সামাজিক, নৈতিক আৰু নীতিসম্বন্ধীয় ক্ষেত্ৰত সামগ্ৰিক দায়বদ্ধতাৰ সৃষ্টি

# মূলক্ষেত্ৰ - ৩ ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ৰূপান্তৰকৰণ

এই মূলক্ষেত্ৰৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ ৰূপান্তৰকৰণৰ অৰ্থে বিদ্যালয় প্ৰধানৰ যোগ্যতা আৰু বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। এই অংশটোত বিদ্যালয়খনত এনে পৰিৱেশ গঢ়াৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে যি শ্ৰেণীকোঠাক অধিক সৃজনশীল আৰু শিশুকেন্দ্ৰিক হিচাপে গঢ় ল'ব।

**উদ্দেশ্য ঃ**

- শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াক শিশুকেন্দ্ৰিক সৃজনশীল প্ৰক্ৰিয়াত পৰিণত কৰা।

## গোট ১ ঃ বিদ্যালয় আৰু শিক্ষাৰ উদ্দেশ্য

- শিশুৰ অনুসন্ধিৎসু মনৰ প্ৰতিপালন
- শিক্ষাৰ মাধ্যমেৰে বিচাৰমূলক চিন্তাচৰ্চাৰ ক্ষমতা বিকাশ
- সৰলীকৰণৰ অৰ্থে শিক্ষা
- শিশুক দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা

## গোট ২ ঃ শিশুকেন্দ্ৰিক শিক্ষণ-শাস্ত্ৰৰ বিষয়ে বোধ

- বৰ্দ্ধিত শিশুৰ শিকন তথা বিকাশৰ প্ৰয়োজনীয়তাসমূহ
- শিশুক সক্ৰিয় শিকাৰু আৰু জ্ঞানৰ নিৰ্মাণকাৰী হিচাপে প্ৰস্তুতকৰণ
- শিকাৰু আৰু শিক্ষক উভয়ৰে বাবে শিক্ষাক আনন্দপূৰ্ণ আৰু সৃষ্টিশীল অভিজ্ঞতালৈ পৰিণত কৰা
- শিক্ষক আৰু শিকাৰু দুয়োৰে বাবে শিক্ষণ-শিকন প্ৰক্ৰিয়াক যৌথ পৰীক্ষণৰ ভেটি হিচাপে গঢ়ি তোলা
- নানা সাংস্কৃতিক সামাজিক পৰিৱেশত শিকন

## গোট ৩ ঃ অনুকূল শিক্ষণ-শিকন পৰিৱেশ সৃষ্টি কৰা

- বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ পৰিৱেশক আকৰ্ষণীয় আৰু প্ৰাণৱন্ত কৰি তোলা
- শ্ৰেণীকোঠাৰ স্থান আৰু সামগ্ৰীসমূহক সৃজনশীলভাৱে সংগঠিত কৰা
- সক্ৰিয় শিকনৰ সুযোগসমূহক অধিক শক্তিশালী কৰি তোলা
- সৰ্বাত্মক পৰিৱেশ ঃ পাৰস্পৰিক শ্ৰদ্ধা, স্বীকৃতি আৰু একাত্মবোধ
- শ্ৰেণীকোঠাত সুৰক্ষিত, নিৰাপদ তথা যত্নপূৰ্ণ পৰিৱেশ গঢ়ি তোলা

## গোট ৪ ঃ শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহৰ কাৰ্যকাৰিতাৰ উৎকৰ্ষসাধন

- পৰ্যৱেক্ষণ, প্ৰতিপুষ্টি আৰু তত্ত্বাৱধান
- শিশুসকলৰ সৈতে প্ৰত্যক্ষভাৱে সংযুক্ত হোৱা আৰু প্ৰতিটো শিশুৰ অগ্ৰগতি সম্পৰ্কে নজৰ ৰখা
- সহযোগিতামূলক কাৰ্যাৱলীৰ মাধ্যমেৰে শ্ৰেণীকোঠাৰ উন্নীতকৰণ
- প্ৰশিক্ষণ আৰু পৰামৰ্শদান
- শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰযুক্তিৰ প্ৰয়োগ
- স্বাধীনভাৱে পৰীক্ষণ আৰু অনুসন্ধানৰ প্ৰতি উৎসাহ প্ৰদান

## গোট ৫ ঃ শিক্ষকক বৃত্তিধাৰী হিচাপে গঢ়ি তোলা

- শিক্ষক ঃ বিদ্যালয় ৰূপান্তৰৰ মুখ্য ব্যক্তি
- শিক্ষকক নেতৃত্বদানৰ বাবে উৎসাহ প্ৰদান
- চিন্তাশীল বৃত্তিধাৰী হিচাপে শিক্ষক
- বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত শিক্ষক-শিকাৰুৰ মাজত আদান-প্ৰদান প্ৰক্ৰিয়াত সহায় কৰা
- শিক্ষকসকলৰ উদ্বেগ আৰু সমস্যাসমূহক যথাযথ গুৰুত্ব প্ৰদান কৰা
- শিক্ষকৰ বৃত্তিগত বিকাশ সাধন

## গোট ৬ ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উন্নতিসাধন - শ্ৰেণীকোঠাৰ সীমাৰ বাহিৰত শিক্ষা

- পিতৃ-মাতৃৰ দৃষ্টিৰে শিশুটিক বুজাৰ চেষ্টা
- শিশুটিৰ শিক্ষাৰ বাবে ঘৰুৱা সাহায্য
- বিদ্যালয়ৰ অভিজ্ঞতাক সামাজিক জ্ঞান আৰু সৃজনশীলতাৰে সমৃদ্ধ কৰা
- বিদ্যালয়ৰ অভিজ্ঞতা আৰু শিকন সংক্ৰান্তত শিক্ষক আৰু অভিভাৱকৰ মাজৰ প্ৰতিপুষ্টিৰ ধাৰাটোক অধিক শক্তিশালী কৰি তোলা
- পাৰিপাৰ্শ্বিক পৰিৱেশক শিকনৰ বিষয় হিচাপে চিহ্নিত কৰা

# মূলক্ষেত্ৰ - ৪ ঃ গোট গঠন আৰু গোটৰ নেতৃত্ব প্ৰদান

এই মূলক্ষেত্ৰত গোটগঠন আৰু সেই গোটক স্থানীয়কৰণৰ বাবে প্ৰয়োজনীয় সক্ষমতাৰ কথা আলোচনা কৰা হৈছে। এই অংশটিত দলীয় প্ৰগতিশীলতা, সহযোগিতা, দলীয়ভাৱে কাম কৰাৰ প্ৰৱণতা আৰু সদস্যসকলৰ মতামতৰ দ্বিমত বা দ্বন্দ্বৰ নিবাৰণ কৰি সদস্যসকলৰ বৃত্তিগত বিকাশৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে।

**উদ্দেশ্য ঃ**

- সহযোগিতাৰ মাধ্যমেৰে গোটত কাম কৰা

### গোট ১ ঃ গোট গঠন

- গোটৰ সদস্যসকলৰ শক্তি আৰু যোগ্যতা সম্পৰ্কে বোধ
- দলীয় প্ৰগতিশীলতা সম্পৰ্কে অধ্যয়ন
- দায়িত্ব আৰু যোগ্যতাৰ মাজত সামঞ্জস্য ৰাখি আগবঢ়া

### গোট ২ ঃ গোটত কাম কৰাৰ প্ৰতি উৎসাহ যোগোৱা

- সন্মিলিত পৰিকল্পনা
- বৃত্তিগত আলাপ-আলোচনাৰ প্ৰতি গুৰুত্ব দিয়া।
- সন্মিলিতভাৱে কাৰ্য কৰা
- বিভিন্ন উৎপাদনশীল চিন্তাধাৰাৰ সৈতে গভীৰভাৱে পৰিচিত হোৱাৰ মঞ্চ হিচাপে কৰ্মী সভা আয়োজন কৰা
- পুনৰবিবেচনা আৰু প্ৰতিপুষ্টি প্ৰক্ৰিয়া স্থাপন কৰা

### গোট ৩ ঃ গোটনেতা হোৱা

- সাৰ্থক গোট কাৰ্যৰ বাবে সুযোগ সৃষ্টি
- গোটৰ সদস্যৰ বাবে কাৰ্যকৰী যোগাযোগ ব্যৱস্থাৰ প্ৰৱৰ্তন
- গোটৰ কাৰ্যৰ সিদ্ধান্ত গ্ৰহণ
- গোটৰ মাধ্যমেৰে কাৰ্য সম্পন্ন কৰা
- দ্বন্দ্ব নিবাৰণ

## মূলক্ষেত্ৰ - ৫ ঃ উদ্ভাৱনৰ অৰ্থে নেতৃত্বদান

এই মূলক্ষেত্ৰত ক্ৰমাগত পৰিৱৰ্তন আৰু উদ্ভাৱনৰ জৰিয়তে বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু কাৰ্যক্ৰমক ৰূপান্তৰিত কৰাৰ কথা কোৱা হৈছে। এই অংশত প্ৰধানকৈ নতুন চিন্তা আৰু কৰ্মক সামগ্ৰিকভাৱে সমৰ্থন জনোৱাৰ লগতে এক উদ্ভাৱনমুখী, সৃজনশীল সংস্কৃতি তৈয়াৰ কৰিবলৈ এক পৰিৱেশ প্ৰক্ৰিয়া আৰু ধাৰণা গঠন কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে।

**উদ্দেশ্য ঃ**

- উদ্ভাৱনমূলক কৰ্মৰ জৰিয়তে ৰূপান্তৰকৰণ

### গোট ১ ঃ উদ্ভাৱন ঃ শিকন প্ৰতিষ্ঠানৰ ভেঁটি

- বিদ্যালয়ৰ প্ৰধান ঃ উদ্ভাৱনৰ মূল চালিকা শক্তি
- নতুন ধাৰণা, অনুসন্ধানত কথা-বাৰ্তা আৰু চিন্তাৰ উদ্ৰেক ঘটোৱা
- উদ্ভাৱন - বিদ্যালয়ৰ উন্নয়নৰ বাবে
- প্ৰথাগত আদৰ্শৰ উপৰি বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰা

### গোট ২ ঃ বিদ্যালয়ত উদ্ভাৱনৰ সংস্কৃতি তৈয়াৰ কৰা

- উদ্ভাৱনক প্ৰতিপালন কৰা ঃ পৰীক্ষা আৰু গৱেষণাৰ মাধ্যমেৰে
- পৰ্যাপ্ত পৰিমাণৰ শৈক্ষিক সমল তথা বিদ্যায়তনিক দিশত সহযোগিতা নিশ্চিত কৰা
- ব্যক্তিত্বক সন্মান প্ৰদান আৰু বৈচিত্ৰ্যপূৰ্ণ প্ৰেক্ষাপটক একত্ৰিত কৰা
- পৰিৱৰ্তনৰ হেঙাৰস্বৰূপ কাৰকসমূহৰ বিষয়ে বুজি তাক সমাধানৰ চেষ্টা কৰা
- নতুন ধাৰণা আৰু কাৰ্যকলাপক স্বীকৃতি প্ৰদান তথা পুৰস্কৃত কৰা
- বিদ্যালয় পৰ্যায়ৰ উদ্ভাৱনমূলক কাৰ্যক চিহ্নিত কৰি নথিভুক্ত কৰা

### গোট ৩ ঃ উদ্ভাৱনৰ মাধ্যমেৰে বিদ্যালয়সমূহৰ পুনঃকল্পনা

- বিদ্যালয় পৰ্যায়ত উদ্ভাৱন ঃ পাঠ্যক্ৰম, বাৰ্ষিক শিক্ষাপঞ্জী, কৰ্ম-বিতৰণ, মধ্যাহ্ন ভোজন, আৰ্থিক ব্যৱস্থাপনা, সম্পদৰ সম্পূৰ্ণ ব্যৱহাৰ, বাৰ্ষিক অনুষ্ঠান পালন, সামাজিক সভা, কৰ্মী সভা আদিৰ পৰিৱৰ্তন
- শ্ৰেণীকোঠা পৰ্যায়ত উদ্ভাৱন ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়া, শ্ৰেণীকোঠাৰ সংগঠন, সময়সূচী প্ৰস্তুতকৰণ, শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা আদিৰ উন্নীতকৰণ
- শিকাৰু, শিক্ষক আৰু সমাজক উদ্ভাৱক হিচাপে কাৰ্য কৰাৰ বাবে সুযোগ সৃষ্টি

# মূলক্ষেত্ৰ - ৬ ঃ অংশীদাৰিত্বৰ নেতৃত্বদান

এই মূলক্ষেত্ৰত বিদ্যালয় ৰূপান্তৰ কৰাৰ বাবে অংশীদাৰিত্বৰ গুৰুত্বৰ কথা আলোচনা কৰা হৈছে। বিদ্যালয়ৰ অংশীদাৰী বিভিন্ন প্ৰতিষ্ঠান তথা সদস্য, যেনে- অভিভাৱক, সমাজৰ বিভিন্ন শিক্ষা বিভাগৰ কৰ্মচাৰী আৰু ওচৰৰ ব্যক্তি, বিদ্যালয়ৰ লগতো স্থাপন কৰাৰ কথা কোৱা হৈছে। বিদ্যালয় মুৰব্বীজনে বিভিন্ন সংশ্লিষ্ট ব্যক্তিৰ সৈতে অংশীদাৰিত্ব সৃষ্টি কৰাৰ বাবে সুযোগ গ্ৰহণ কৰিব লাগে।

**উদ্দেশ্য ঃ**

- বিদ্যালয় ৰূপান্তৰত অভিভাৱক, সমাজ আৰু শিক্ষাকৰ্মীসকলৰ অংশীদাৰিত্ব

## গোট ১ ঃ বিদ্যালয় আৰু ঘৰৰ মাজত পাৰস্পৰিক অংশীদাৰিত্ব

- গৃহ আৰু বিদ্যালয়ৰ মাজত সংযোগ ব্যৱস্থাৰ বাবে উৎসাহ যোগোৱা
- শিকন আৰু বিকাশ - উভয়েই শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব
- অভিভাৱক আৰু শিক্ষকৰ ধাৰণা আৰু প্ৰত্যাশাক ৰূপ দিয়া
- বিদ্যালয়ত অভিভাৱকৰ অংশগ্ৰহণক উৎসাহ প্ৰদান কৰা
- বিদ্যালয়ক অভিভাৱকৰ শিকনৰ ভেঁটিস্বৰূপে গঢ়ি তোলা

## গোট ২ ঃ সমাজৰ সৈতে কাম কৰা

- বিদ্যালয়-সমাজৰ সম্বন্ধৰ বিষয়ে অনুধাৱন কৰা
- বিদ্যালয়ৰ কৰ্মসূচীত সমাজৰ অংশগ্ৰহণৰ সুযোগ বৃদ্ধি কৰা
- বিদ্যালয় বিকাশৰ পৰিকল্পনাত সমাজৰ ভূমিকা নিৰ্ধাৰণ কৰা
- বিদ্যালয় উন্নয়ন পৰিকল্পনাত সমাজৰ ভূমিকা
- বিদ্যালয়ক সামাজিক শিকনৰ ভেঁটি হিচাপে গঢ় দিয়া
- স্থানীয় নেতৃত্ববৰ্গৰ সৈতে পাৰস্পৰিক সহযোগিতা আৰু সন্মানেৰে কাৰ্য কৰা

## গোট ৩ ঃ শিক্ষা ব্যৱস্থাৰ লগত যোগাযোগ

- শিক্ষা ব্যৱস্থাৰ অংশ হিচাপে বিদ্যালয়
- শিক্ষাৰ প্ৰশাসনীয় বিষয়াসকলৰ সৈতে পাৰস্পৰিক যোগাযোগ
- বিদ্যালয় বিকাশ আৰু শিক্ষা ব্যৱস্থাৰ চাহিদাৰ মাজত সামঞ্জস্য বজাই ৰখা
- স্থানীয় সম্পদ আৰু সহায়ক প্ৰতিষ্ঠানৰ সৈতে যোগাযোগ স্থাপন
- বিভিন্ন বিদ্যালয়ৰ লগত ভাবৰ আদান-প্ৰদান তথা সমন্বয়, উৎকৃষ্ট বৃত্তিগত চৰ্চাৰ বিনিময়

# মূলক্ষেত্ৰ ৭ ঃ বিদ্যালয় প্ৰশাসনৰ ক্ষেত্ৰত নেতৃত্বদান

এই মূলক্ষেত্ৰৰ জৰিয়তে বিদ্যালয়ৰ নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত বিদ্যালয় প্ৰধানজনৰ প্ৰশাসনিক তথা বিত্তীয় দিশত থকা ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে। অংশটিয়ে বিদ্যালয় প্ৰধানসকলক চৰকাৰৰ দ্বাৰা প্ৰবৰ্তিত প্ৰশাসনিক নিয়ম-নীতি তথা নিৰ্দেশনাসমূহ বুজাত সহায় কৰাৰ উপৰি বিদ্যালয়ৰ বিত্তীয় দিশ, আবণ্টিত পুঁজি তথা তাৰ ব্যৱহাৰ আদিৰ বিষয়ে সম্যক জ্ঞান দিয়ে। বিদ্যালয়ক নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ভৌতিক তথা মানৱ সম্পদৰ সঠিক পৰিচালনা অতি গুৰুত্বপূৰ্ণ, সেয়েহে কিদৰে এই সম্পদসমূহৰ সঠিক ব্যৱহাৰ সম্ভৱ সেই বিষয়ে এই মূলক্ষেত্ৰত আলোচনা আগবঢ়োৱা হৈছে। এই মূলক্ষেত্ৰৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ই বিদ্যালয় প্ৰধানসকলক প্ৰয়োজনীয় তথ্যপঞ্জী গঢ়ি তোলাত সহায় কৰা আৰু সেই তথ্যক ভিত্তি কৰি বিদ্যালয় ৰূপান্তৰৰ ক্ষেত্ৰত সুনিশ্চিত সিদ্ধান্ত লোৱাত সহায় কৰে।

## উদ্দেশ্য ঃ

- বিদ্যালয় প্ৰধানসকলৰ প্ৰশাসনিক দক্ষতাৰ বাবে অৰ্থৰ উপযুক্ত ব্যৱহাৰ তথা নিয়ন্ত্ৰণ, সম্পদৰ যথাযথ ব্যৱহাৰ আৰু উপযুক্ত তথ্যৰ ওপৰত নিৰ্ভৰ কৰি সিদ্ধান্ত গ্ৰহণ আদি বিষয়ত দক্ষতা আৰু জ্ঞানৰ বিকাশ ঘটোৱা।

### গোট ১ ঃ বিদ্যালয় শাসন ব্যৱস্থাৰ বিষয়ে বোধ

- বিদ্যালয় ৰূপান্তৰকৰণত বিদ্যালয় প্ৰধানৰ ভূমিকা প্ৰকাশ
- বিদ্যালয় প্ৰধানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ দায়িত্ব, ছুটী, পেনচ্‌ন সংক্ৰান্তীয়, আইন, নীতি-নিৰ্দেশনা আদিৰ বিষয়ে জ্ঞান
- ৰাজ্যৰ বিভিন্ন নীতি, পৰিকল্পনা তথা আঁচনিসমূহৰ বৈশিষ্ট্য, মান আৰু জড়িত নিৰ্দেশিকাসমূহ বুজাৰ লগতে বিদ্যালয় স্তৰত তাক সঠিক ৰূপায়ণ
- বিদ্যালয়ৰ বিভিন্ন বিষয় সম্পৰ্কে ভাৰপ্ৰাপ্ত বিষয়াৰ সৈতে যোগাযোগৰ বাবে প্ৰয়োজনীয় তথ্য নথিবদ্ধকৰণ প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞান
- শিক্ষকৰ (এনুৱেল কনফিডেন্সিয়েল ৰিপৰ্ট /এনুৱেল পাৰফৰমেন্স এপ্ৰাইজেল ৰিপৰ্ট) বছৰেকীয়া গোপনীয় প্ৰতিবেদন/বছৰেকীয়া কাৰ্য সম্পাদনৰ প্ৰতিবেদন
- বিদ্যালয়ৰ শিক্ষক/ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীৰ সহযোগত বিদ্যালয়ৰ উন্নয়নৰ পৰিকল্পনাসমূহ কাৰ্যকৰী কৰাৰ বাবে এক সঠিক ব্যৱস্থাৰ প্ৰণয়ন

### গোট ২ ঃ বিদ্যালয়ৰ বিত্তীয় ব্যৱস্থা

- অৰ্থ আৰু সম্পদ ব্যৱস্থাপনাৰ গুৰুত্ব
- বাজেট আৰু হিচাপ-নিকাচৰ আহিলাৰ জ্ঞান
- বিত্তীয় বিষয়, আয় পুঁজি ব্যয়ৰ নিয়ম কানুনৰ ক্ষেত্ৰত স্বতন্ত্ৰতা

- বিদ্যালয়ৰ কৰ্মচাৰীসকলৰ উপকাৰিতামূলক আঁচনিসমূহ, যেনে - পেন্‌চন, বকেয়া নিৰ্ধাৰণ আদি সংক্ৰান্তীয় বিত্তীয় ব্যৱস্থাসমূহৰ বিষয়ে বুজা
- বিদ্যালয় পৰ্যায়ৰ বিত্তীয় ব্যৱস্থাৰ বিভিন্ন দিশ, যেনে - বিল তৈয়াৰ (pay arrear, medical, contingency, vouchers etc.) কেচবুক আদিৰ বিষয়ে ধাৰণা

## গোট ৩ ঃ ভৌতিক সম্পদ আৰু মানৱ সম্পদৰ কাৰ্যকৰী ব্যৱস্থাপনা

- বিদ্যালয়ৰ পৰিৱেশক  শিকাৰুৰ বাবে আনন্দদায়ক তথা শিকনৰ ভেঁটি হিচাপে গঢ়ি তোলা
- বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু সুপৰিচালিত শ্ৰেণীকোঠা সুনিশ্চিত কৰাৰ হকে বিভিন্ন বিভাগ তথা গোটৰ লগত পাৰস্পৰিক সহযোগিতা
- মুক্ত স্থান আৰু খেলপথাৰ গঢ়ি তোলা
- বিদ্যালয়ত শিশুৰ সুৰক্ষাৰ অৰ্থে সকলোৰে সহযোগত এক ব্যৱস্থা তৈয়াৰ কৰা আৰু তাৰ বাবে প্ৰয়োজনীয় সম্পদ যোগাৰ কৰা
- বিদ্যালয়ৰ চলিত প্ৰক্ৰিয়াসমূহৰ বাবে থকা মানৱ সম্পদৰ সম্পূৰ্ণ ব্যৱহাৰৰ বাবে নতুন পদ্ধতিৰ উদ্ভাৱন
- প্ৰয়োজনীয় মানৱ সম্পদৰ সহযোগিতা লাভৰ অৰ্থে নিকটৱৰ্ত্তী বিদ্যালয়, গোট আৰু বিভিন্ন বিভাগৰ সৈতে পাৰস্পৰিক যোগাযোগ স্থাপন
- শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ সৈতে বিদ্যালয় পৰিচালনা, বিত্তীয় ব্যৱস্থা সম্পৰ্কীয় বিষয় বা আন সমস্যাৰ বিষয়ে আলোচনা

## গোট ৪ ঃ যথোপযুক্ত সিদ্ধান্ত গ্ৰহণৰ বাবে 'ডাটাবেচ্ ম্যানেজমেণ্ট ইনফৰমেচন চিষ্টেম'ৰ ব্যৱহাৰ

- বিদ্যালয়ৰ সমৰ্থক ৰূপান্তৰ সম্পৰ্কে যথোপযুক্ত সিদ্ধান্ত গ্ৰহণৰ বাবে উপযুক্ত তথ্যভাণ্ডাৰ তৈয়াৰ কৰা আৰু তাক স্থায়ী কৰাত গুৰুত্ব দিয়া
- ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰগত বৈশিষ্ট্য আৰু অগ্ৰগতিৰ বুজ ল'বৰ বাবে তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ সহায়ত তথ্যভাণ্ডাৰ গঠন কৰা
- ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ অৰ্থে প্ৰয়োজনভিত্তিক শিকন সহায়তাৰ ব্যৱস্থা কৰা
- শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সংক্ৰান্তীয় তথ্যাৱলী সহজে উপলব্ধ হোৱা আৰু সেইয়া যে চাকৰিৰ নিয়ম-কানুনৰ লগত সংগতি ৰাখি আছে তাক সুনিশ্চিত কৰা
- বিদ্যালয়ৰ বিত্তীয় তথ্যপঞ্জী সংৰক্ষণ কৰা
- শিক্ষক আৰু অভিভাৱকৰ লগত সম্পৰ্কিত বিভিন্ন প্ৰক্ৰিয়া, যেনে - নামভৰ্তি, উপস্থিতি, কাৰ্যসূচীৰ বাৰ্ষিক কেলেণ্ডাৰ, পাঠ্যক্ৰম পৰিকল্পনা, শিক্ষক-অভিভাৱকৰ বৈঠক, অভিযোগ আৰু পৰামৰ্শৰ আধাৰত ভিত্তি কৰি পুনঃবিবেচনা আৰু শুধৰণি আদি প্ৰক্ৰিয়াৰ এক সুনিশ্চিত ব্যৱস্থা গ্ৰহণ কৰা

# গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহ ঃ

ভাৰতবৰ্ষত প্ৰচলিত বিভিন্ন বিদ্যালয় ব্যৱস্থাৰ বৈষম্যৰ মাজতো এই ৰূপৰেখাই ৰাজ্যিকভিত্তিক প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ বিচাৰ্য বিষয় সম্পৰ্কে অন্বেষণ আৰু উপলব্ধি কৰাৰ সুবিধা দিয়ে। এই ৰূপৰেখাত উল্লিখিত গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহ বিভিন্ন ৰাজ্যৰ সামাজিক, অৰ্থনৈতিক, ভৌগোলিক আৰু শিক্ষামূলক প্ৰত্যাহ্বানসমূহক ভিত্তি কৰি যুগুতোৱা হৈছে। ক্ষুদ্ৰ আৰু বহুস্তৰীয় বিদ্যালয়ৰ প্ৰত্যাহ্বান সমূহকো এই ৰূপৰেখাত গুৰুত্ব দিয়া হৈছে।

## গুৰুত্বপূৰ্ণ ক্ষেত্ৰ - ১ ঃ জনজাতীয় এলেকাৰ বিদ্যালয়ৰ নেতৃত্বদান

এই অংশটিত জনজাতীয় এলেকাত অৱস্থিত বিদ্যালয়সমূহ যি সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ভাবে আন অঞ্চলৰ বিদ্যালয়তকৈ পৃথক তেনে বিদ্যালয়সমূহৰ সম্পৰ্কে গুৰুত্ব দিয়া হৈছে। এনে অঞ্চলত বাস কৰা শিশুসকলক বিদ্যালয়ত এক অৰ্থপূৰ্ণ অভিজ্ঞতা প্ৰদানৰ বাবে বিদ্যালয় প্ৰধানজনে এনে অঞ্চলৰ অৱস্থা, প্ৰয়োজনীয়তা আৰু প্ৰত্যাশাৰ বিষয়ে জ্ঞাত হোৱাতো বাঞ্ছনীয়। এই পৰিপ্ৰেক্ষিতত আলোচিত বিষয়সমূহ তলত দিয়া হ'ল

- বিদ্যালয়ৰ কাম-কাজৰ লগত জড়িত সামাজিক সাংস্কৃতিক প্ৰেক্ষাপটৰ বিষয়ে আয়ত্ত কৰা
- বিদ্যালয়ৰ শিক্ষক আৰু প্ৰশাসকসকলে মনত পুহি ৰখা বদ্ধমূল ধাৰণাসমূহ বুজা আৰু গ্ৰহণ কৰা
- জনজাতীয় শিশুৰ ভাষাৰ ভিন্নতাৰ বিষয়ে উপলব্ধি কৰি তেওঁলোকৰ প্ৰয়োজন সম্পৰ্কে বুজ লোৱা
- জনজাতীয় অঞ্চলৰ বিদ্যালয়, সামাজিক গোট আৰু পৰিয়ালৰ বিষয়ে জানি তাৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহ, যেনে- ছাত্ৰ আৰু শিক্ষকৰ অনিয়মীয়া উপস্থিতি, সঘনাই বিদ্যালয় সলনি কৰা আদিৰ বিষয়ে বিশদভাৱে বুজ লোৱা
- জনজাতীয় শিশুৰ শিকনৰ প্ৰয়োজনসমূহৰ প্ৰতি লক্ষ্য ৰাখি কেৰিকুলাম, পাঠ্যপুথি আৰু শিক্ষণ-শিকন পদ্ধতিৰ প্ৰাসংগিকীকৰণ
- জনজাতীয় অঞ্চলৰ বিদ্যালয়সমূহত সমাজক জড়িতকৰণ
- জনজাতীয় অঞ্চলৰ আৱাসিক বিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনাৰ ব্যৱস্থা

## গুৰুত্বপূৰ্ণ ক্ষেত্ৰ - ২ ঃ ক্ষুদ্ৰ আৰু বহুস্তৰীয় বিদ্যালয়ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ নেতৃত্ব দান

এই অংশৰ মুখ্য আলোচ্য বিষয় হ'ল এজনীয়া বা দুজনীয়া শিক্ষক থকা বহুস্তৰীয় আৰু ক্ষুদ্ৰ বিদ্যালয়ত বিভিন্ন ভূমিকা সম্পৰ্কে আলোচনা। সেইবাবে, এই অংশটিত শিক্ষকসকলক বহুস্তৰীয়া ব্যৱস্থাত গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত সবলীকৰণ আৰু পথ দেখুওৱাৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে।

- স্থানীয় আৰু শিক্ষা ব্যৱস্থাৰ লগত জড়িত বিশেষ প্ৰত্যাহ্বানসমূহৰ বিষয়ে বুজা
- আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বৈষম্যৰ লগত সংগতি ৰাখি সৰ্বাত্মক পৰিৱেশ গঢ়ি তোলা
- শিকাৰুৰ মান নিৰ্ধাৰণ কৰাৰ অৰ্থে তথা উপযুক্ত শ্ৰেণী আৰু শিকনস্তৰৰ ওপৰত ভিত্তি কৰি কেৰিকুলাম আৰু শিকন সামগ্ৰীৰ অভিযোজন
- ছাত্ৰ-ছাত্ৰীৰ পৰিচালনা ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত ভাবৰ আদান প্ৰদান, শ্ৰেণীকোঠাত বহাৰ ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ যত্ন আৰু সাহায্য প্ৰদান
- দলীয় শিকন ঃ বিভিন্ন শ্ৰেণী, বয়স তথা লগৰীয়াৰ মাজত পাৰস্পৰিক শিকন
- বহুস্তৰীয় বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ দ্বাৰা সময়ৰ সৎব্যৱহাৰ

## গুৰুত্বপূৰ্ণ ক্ষেত্ৰ - ৩ ঃ সংঘৰ্ষ পীড়িত অঞ্চলৰ বিদ্যালয়ৰ নেতৃত্বদান

ভাৰতবৰ্ষৰ বহু বাসিন্দাৰ দৈনন্দিন জীৱন দুৰ্যোগ আৰু সংঘৰ্ষৰ বাবে ব্যাঘাতপূৰ্ণ। এনে অঞ্চলত অৱস্থিত বিদ্যালয়সমূহে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হয়। বিদ্যালয়ৰ কাম কাজ পৰিচালনাত অনিশ্চয়তা, একেদৰেই শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মনত আৱেগিক উদ্বিগ্নতা আৰু শংকা। এনে পৰিস্থিতিত বিদ্যালয়ৰ প্ৰধানজনে বিদ্যালয়ৰ দৈনন্দিন কাৰ্য পৰিচালনা, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিশ্চিত কৰা, সমাজৰ লগত সম্পৰ্ক স্থাপন আৰু তেওঁলোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। এই গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহে তলত দিয়া প্ৰত্যাহ্বানসমূহ দোহাৰিছে ঃ-

- ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে এক সহায় ব্যৱস্থা গঢ়ি তোলা যাতে তেওঁলোক আৱেগিক উদ্বিগ্নতা আৰু শংকাৰ পৰা মুক্ত হয়।
- শ্ৰেণীকোঠাত চাপমুক্ত শিশুকেন্দ্ৰিক পৰিৱেশ গঢ়ি তোলা
- বিদ্যালয়ৰ শিশুসকলৰ অভিভাৱকৰ সহযোগত এটি ৰক্ষণাত্মক ব্যৱস্থা গঢ়ি তোলা যিয়ে সকলো ধৰণৰ অনাকাংক্ষিত ঘটনাৰ পৰা ৰক্ষণাবেক্ষণ দিব
- শিশুৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্থানীয় আৰু আৰক্ষীৰ সহযোগিতা আদায় কৰা।

- উৎসাহদান, সমৰ্থন আৰু প্ৰস্তুতিৰ মাধ্যমেৰে শিকাৰু, শিক্ষক আৰু কৰ্মীবৃন্দৰ মাজত এটি ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলা যি প্ৰত্যেককে যিকোনো ধৰণৰ প্ৰতিকূল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম কৰি তুলিব।
- বাস্তৱ জীৱনৰ উদাহৰণসমূহ সংগ্ৰহ কৰি বিদ্যালয়ত তাৰ আলোচনা কৰাৰ উপৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত সংযোজন কৰা।

## গুৰুত্বপূৰ্ণ ক্ষেত্ৰ - ৪ ঃ প্ৰতিকূল ভৌগোলিক পৰিস্থিতিসমূহ

প্ৰতিকূল ভৌগোলিক পৰিৱেশ, যেনে- অতিমাত্ৰা বৰষুণ হোৱা অঞ্চল, মৰুভূমি, পাহাৰীয়া আৰু উপকূলৱৰ্তী অঞ্চলত অৱস্থিত বিদ্যালয়সমূহত বছৰৰ নিৰ্দিষ্ট সময়ত বিশেষ যত্ন আৰু মনোযোগৰ প্ৰয়োজন। বিদ্যালয়ৰ দৈনন্দিন কাম-কাজত ব্যাঘাত জন্মাব নোৱাৰাকৈ বতৰ অনুকূলে আন্তঃগাঁথনিৰ ব্যৱস্থা প্ৰদান। এই ক্ষেত্ৰৰ উদ্দেশ্য হৈছে বিদ্যালয় প্ৰধানসকলক এনেধৰণৰ প্ৰত্যাহ্বানসমূহৰ লগত মোকাবিলা কৰিবলৈ সক্ষম কৰি তোলা।

- ভৌগোলিক আৰু জলবায়ুৰ পৰিৱৰ্তন অনুযায়ী এক বিশেষ ধৰণৰ ঋতুভিত্তিক সময়সূচী প্ৰস্তুত আৰু ৰূপায়ণ কৰা
- সমাজৰ বিশিষ্ট ব্যক্তি আৰু অভিভাৱকৰ সৈতে আলোচনাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি, আধাতে বিদ্যালয় ত্যাগ কৰা প্ৰৱণতাক ৰোধ কৰা আৰু দৈনন্দিন বিদ্যালয় কৰ্মসূচী সম্পন্ন হোৱাতো সুনিশ্চিত কৰা
- প্ৰতিকূল ভৌগোলিক পৰিৱেশত অৱস্থিত বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ সামগ্ৰী, শিক্ষণ-শিকন সামগ্ৰী সংৰক্ষণৰ বাবে উপযুক্ত আন্তঃগাঁথনিৰ ব্যৱস্থা কৰা
- শিক্ষক আৰু শিকাৰুক দ্ৰুত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুত কৰি তোলা
- বিদ্যালয়ৰ সমস্যা সমাধানৰ বাবে সমাজৰ লগত অংশীদাৰিত্ব

এনে অঞ্চলৰ নিৰ্দিষ্ট বিচাৰ্য বিষয় আৰু প্ৰত্যাহ্বানৰ প্ৰতি দৃষ্টি ৰাখি এই কেৰিকুলামৰ ৰূপৰেখাই বিদ্যালয় প্ৰধানসকলক সমস্যা সমাধান আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সহায় কৰে।

# শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুতকৰণ

## *অভিযোজন আৰু প্ৰাসংগিকীকৰণ*

প্ৰতিটো মূলক্ষেত্ৰৰ আধাৰত ভিত্তি কৰি এলানি সহজে বোধগম্য আৰু ভাবৰ আদান-প্ৰদান কৰিব পৰা সমল গঠন কৰা হ'ব। বিদ্যালয় শিক্ষাৰ মূল বিচাৰ্য বিষয়সমূহৰ লগত সংগতি ৰাখি আৰু এই দিশসমূহৰ বিষয়ে শিকনৰ সুযোগ প্ৰদান কৰি মূলক্ষেত্ৰসমূহৰ প্ৰধান গোটসমূহক লৈ এখন মডিয়ুল তৈয়াৰ কৰা হ'ব। বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা বিভিন্ন মডিয়ুলসমূহো সংযোজিত কৰা হ'ব। উপস্থাপকজনে সমলগোট আৰু সমল ব্যক্তিসকলক বিদ্যালয়ৰ নিয়োজিতকৰণ অনুষ্ঠানত বিদ্যালয় প্ৰধানসকলক পৰিস্থিতি সাপেক্ষে মডিয়ুলসমূহ ব্যৱহাৰৰ সুযোগ দিব।

- **লক্ষ্যভিত্তিক মদিয়ুল ঃ** বিভিন্ন প্ৰাথমিক , মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধানসকলৰ বিভিন্ন আকাংক্ষিত আৰু সম্ভাৱনাপূৰ্ণ মুৰব্বীসকলক নেতৃত্বৰ ক্ষেত্ৰত বিভিন্ন প্ৰয়োজনসমূহৰ বিষয়ে বুজোৱাৰ ব্যৱস্থা।
- **বিচাৰ্য বিষয়ভিত্তিক মদিয়ুল বুজোৱা ঃ** ভাৰতবৰ্ষৰ বিভিন্ন বিদ্যালয় ব্যৱস্থাত বৈষম্য থকা স্বত্বেও উমৈহতীয়া বিচাৰ্যবিষয়সমূহ আৰু ৰাজ্যভিত্তিক প্ৰাসংগিক প্ৰত্যাহ্বানসমূহ সমাধান কৰা হ'ব।

এই সমলসমূহত ৰাজ্যভিত্তিক বাস্তৱ ঘটনা অধ্যয়নসমূহ সংগ্ৰহ কৰা হ'ব। বিভিন্ন কৰ্মশালাৰ মাধ্যমেৰে ৰাজ্যিক সমল গোটে কেৰিকুলামৰ ৰূপৰেখা আৰু সমলসমূহক ৰাজ্যৰ বিদ্যালয়সমূহৰ সমস্যা আৰু পৰিস্থিতিৰ লগত খাপ-খোৱাকৈ সংশোধন কৰিব।

# নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ্-নিপা – NIEPA

গুণগত শিক্ষা প্ৰদানৰ বাবে বিদ্যালয়সমূহক কাৰ্যকৰী কেন্দ্ৰ হিচাপে ৰূপান্তৰিত কৰিবলৈ সবল নেতৃত্বৰ প্ৰয়োজন। ইয়াৰ দ্বাৰা পৰিবৰ্তন আৰু উদ্ভাৱন প্ৰক্ৰিয়া সম্ভৱ হয়। যদিও ‘নিপা’ই সময়ে সময়ে বিদ্যালয় মুৰব্বী আৰু প্ৰশাসনীয় বিষয়াসকলৰ প্ৰশিক্ষণ আৰু অভিজ্ঞতা বিনিময় কৰাৰ সুবিধা দি আহিছে তথাপি এই কাৰ্যক অধিক তাৎপৰ্যপূৰ্ণভাৱে উন্নীত কৰাৰ প্ৰয়োজন আছে। ‘নিপা’ত স্থাপন কৰা নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ্ (National Centre for School Leadership) (NCSL) হৈছে এনে এক দূৰদৰ্শী প্ৰয়াসৰ পদক্ষেপ।

এন. চি. এচ. এল-ৰ বাবে প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হৈছে নেতৃত্বদানৰ যোগেদি বিদ্যালয় ৰূপান্তৰৰ বাবে কৰ্ম ক্ষমতা বৃদ্ধি কৰা। এই লক্ষ্যত উপনীত হ’বলৈ কেন্দ্ৰটোৱে কেৰিকুলামত ৰাজ্যসমূহৰ বৈশিষ্ট্য আৰু বিভিন্ন সমস্যা আৰু প্ৰয়োজনৰ কথা ভেটি হিচাপে লৈ বিদ্যালয়ৰ নেতৃত্ব দিয়া ব্যক্তিসকলৰ কৰ্ম ক্ষমতা বৃদ্ধিৰ আঁচনি হাতত লয়। কেন্দ্ৰটোৱে বিদ্যালয়সমূহ আৰু বিদ্যালয়ৰ লগত সম্পৰ্ক থকা সমল প্ৰতিষ্ঠানসমূহৰ মাজত যোগাযোগ উন্নীত কৰিবৰ বাবে অৰ্থপূৰ্ণ অভিজ্ঞতাৰ আদান-প্ৰদানত উৎসাহিত কৰিব। ইয়াৰ দ্বাৰা সমান্তৰালভাৱে শিকন আৰু সমস্যা সমাধান সহজ হৈ পৰিব। কেন্দ্ৰটোৱে নেতৃত্ব সম্বন্ধীয় গৱেষণা অনুষ্ঠিত আৰু প্ৰসাৰৰ লগতে অনুষ্ঠান পৰ্যায়ত প্ৰমাণভিত্তিক সিদ্ধান্ত গ্ৰহণৰ লক্ষ্য ৰাখি বিদ্যালয় শিক্ষা ব্যৱস্থাৰ নিয়ন্ত্ৰণ কৰিব। কেন্দ্ৰটোৱে বিদ্যালয় প্ৰশাসন ব্যৱস্থা আৰু নেতৃত্বৰ ক্ষেত্ৰসমূহৰ উন্নতি সম্পৰ্কীয় তথ্যৰ ভঁৰাল হিচাপে কাম কৰিব।

নেতৃত্ব বিকাশৰ কৰ্মসূচীয়ে বিদ্যালয় প্ৰধান, প্ৰশাসনীয় বিষয়া আৰু প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহৰ জ্যেষ্ঠ শিক্ষকসকলক সামৰি ল’ব। এনে কাৰ্যসূচীৰ মূল অৰ্থই হৈছে বিদ্যালয় আৰু বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ পৰিচালনা আৰু ৰূপান্তৰকৰণ । নেতৃত্বৰ দিশত বিভিন্ন অনুষ্ঠান, গাওঁ, জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰস্তুতি সম্ভৱ কৰি তোলা।

নেশ্যনেল চেণ্টাৰ ফৰ্ স্কুল লীডাৰশ্বিপ

**National Institute of Educational Planning and Administration**
17-B, Sri Aurobindo Marg, New Delhi-110016 (India)
EPABX Nos: 26565600, 26544800
Fax: 91-011-26853041, 26865180